সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ,২৩ সংখ্যা, ২৩ জেঠ, ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 23 Date of Publication- 07 June 2026 Rs. 10.00/-

## গোৱালপাৰাত টিফিনত গো-মাংস আনি হিন্দু ছাত্ৰক খাবলৈ হেঁচা মুছলমান ছাত্ৰৰ



ৰঙিলী বাৰ্ত্তাসেৱা- গোৱালপাৰা জিলাৰ কৃষ্ণাইত এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে। বিদ্যালয়ত মুছলমান সম্প্ৰদায়ৰ ৫জন ছাত্ৰই টিফিনত নিষিদ্ধ গো-মাংস ভক্ষণ কৰাৰ লগতে দুজন হিন্দু ছাত্ৰক গো-মাংস খাবলৈ হেঁচা প্ৰয়োগ কৰাকলৈ সমগ্ৰ জিলাখনতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰাপ্ত খবৰ অনুসৰি কৃষ্ণাইৰ হাৰাঘাট উচ্চ মাধ্যমিক বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ দুজনে টিফিন খাই থকা অৱস্থাতে মুছলমান সম্প্ৰদায়ৰ আন পাঁচজন ছাত্ৰই গো-মাংসৰে বিৰিয়ানী খোৱাৰ লগতে হিন্দু ছাত্ৰ দুজনকো গো-মাংস খাবলৈ হেঁচা প্ৰয়োগ কৰে। পাছত হিন্দু ছাত্ৰ দুজনে লগে লগে শ্ৰেণীকোঠাৰ পৰা দৌৰি গৈ বিদ্যালয়খনৰ এগৰাকী সহকাৰী শিক্ষকক অৱগত কৰি বিষয়টো বিদ্যালয়ৰ প্ৰধান শিক্ষকক অৱগত কৰে। সহকাৰী শিক্ষক গৰাকীয়ে মুছলমান ছাত্ৰ পাঁচজনক অনুশাসনমূলক ধমকি দি হিন্দু ছাত্ৰ দুজনক এই কথা বাহিৰত প্ৰকাশ নকৰিবলৈ নিৰ্দেশ দিয়ে। পাছত বিদ্যালয়খনৰ প্ৰধান শিক্ষক আৱাল মজিদ শ্বেখৰ পৌৰোহিত্যত শিক্ষক-শিক্ষয়িত্ৰী সকলে এখন সভা অনুষ্ঠিত কৰি সমগ্ৰ বিষয়টো বন্ধ কোঠাৰ ভিতৰতে মীমাংসা কৰি বিষয়টো বাহিৰৰ লোকে যাতে গম নাপায় তাৰ বাবে সকলোকে কঠোৰ নিৰ্দেশনা দিয়াৰ লগতে ভুক্তভোগী ছাত্ৰ দুজনক বিষয়টো ঘৰত ক'বলৈ মানা কৰিছিল। ইফালে সন্ধিয়া হিন্দু ছাত্ৰ দুজনে ঘটনাৰ সবিশেষ পৰিয়ালৰ জ্যেষ্ঠসকলক অৱগত কৰাৰ লগে লগে তীব্ৰ ক্ষোভৰ সৃষ্টি হয়। অভিযোগ উঠা মতে, বিদ্যালয়ৰ প্ৰধান শিক্ষক গৰাকীয়ে এই ঘটনা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিকো অৱগত নকৰাকৈ বিষয়টো থাপি-থুপি ৰাখিবলৈ চেষ্টা কৰিছিল। পাছত পৰিয়ালৰ লোকে যোৱানিশাই কৃষ্ণাই থানাত ঘটনা সন্দৰ্ভত এজাহাৰ দাখিল

( তিনিপৃষ্ঠাত চাওক)

## অম্বুবাচী মহাযোগক লৈ নীলাচলত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ বিশেষ বৈঠক



ৰঙিলী বাৰ্ত্তাসেৱা- শনিবাৰে শক্তিপীঠ কামাখ্যাধামত উপস্থিত হৈ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই পূজা-সেৱা আগবঢ়োৱাৰ লগতে বহুপ্ৰতীক্ষিত কামাখ্যা কৰিড'ৰ নিৰ্মাণ আৰু আগন্তুক অম্বুবাচী মহাযোগক লৈ নীলাচলৰ কামাখ্যা দেৱালয়ত কৰ্তৃপক্ষৰ সৈতে এক বিশেষ বৈঠকত মিলিত হয়। মন্ত্ৰীগৰাকীৰ পৌৰোহিত্যত অনুষ্ঠিত বৈঠকখনত বহুচৰ্চিত কামাখ্যা কৰিড'ৰৰ পৰিকল্পনাৰ অগ্ৰগতি তথা কৰিড'ৰটো নিৰ্মাণৰ সময়ত প্ৰয়োজনীয় আন্তঃগাঁথনিকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়সমূহ আলোচনা

( দুই পৃষ্ঠাত চাওক)

## ক্ৰিকেটৰ ভগৱান শচীন তেণ্ডুলকাৰৰ অভিলেখ ভংগ বৈভৱ সূৰ্যবংশীৰ




ৰঙিলী বাৰ্ত্তাসেৱা- ইতিহাস ৰচিলে ১৫ বছৰীয়া বৈভৱ সূৰ্যবংশীয়ে। সদ্যসমাপ্ত আইপিএলত চাঞ্চল্যকৰ বেটিঙেৰে চমক সৃষ্টি কৰা বিস্ময় বালক বৈভৱ সূৰ্যবংশীক প্ৰথমবাৰলৈ ভাৰতীয় ছিনিয়ৰ দললৈ আমন্ত্ৰণ জনোৱা হৈছে। ইংলেণ্ড, আয়াৰলেণ্ড আৰু এছিয়ান গেমছৰ বাবে শনিবাৰে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে ঘোষণা কৰা ভাৰতীয় টি-২০ দলটোত স্থান লাভ কৰিছে বৈভৱে। মাত্ৰ ১৫ বছৰ বয়সতে ভাৰতীয় ছিনিয়ৰ দললৈ আমন্ত্ৰণ লাভ কৰি বিস্ময় বালক বৈভৱ সূৰ্যবংশীয়ে ক্ৰিকেটৰ ভগৱান শচীন তেণ্ডুলকাৰৰ ৩৬ বছৰ পুৰণি

( দহ পৃষ্ঠাত চাওক)

## গুৱাহাটীলৈ আহিব জাপানৰ প্ৰধানমন্ত্ৰী ছানাই টাকাইচি



ৰঙিলী বাৰ্ত্তাসেৱা- অসমবাসীৰ বাবে সুখবৰ। জুলাই মাহত অসমলৈ আহিব জাপানৰ প্ৰধানমন্ত্ৰী ছানাই টাকাইছি। গুৱাহাটীত অনুষ্ঠিত হ'ব ভাৰত-জাপান সন্মিলন। উল্লেখ্য যে জাপানৰ সৈতে তথ্য-প্ৰযুক্তি তথা কাৰিকৰী দিশত একেলগে আগবঢ়াৰ লক্ষ্যৰে ইতিপূৰ্বে কেইবাখনো বুজাবুজি চুক্তিত উপনীত হোৱাৰ পাছত এইবাৰ প্ৰতিৰক্ষা, বাণিজ্য, অৰ্থনৈতিক সুৰক্ষাক লৈ এছিয়াৰ সূৰ্য উঠা দেশখনৰ সৈতে হ'ব আন কেইবাখনো চুক্তি। অসমত ইতিহাস সৃষ্টি কৰাৰ লক্ষ্যৰে হ'বলগা দুয়ো দেশৰ এই সন্মিলনক লৈ ইতিমধ্যে আৰম্ভ হৈছে বিশেষ তৎপৰতা। দিল্লীৰ পৰা

(দহ পৃষ্ঠাত চাওক)

## প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ১৬, ৮১০টা ঘৰৰ অনুমোদন লাভ অসম চৰকাৰৰ



ৰঙিলী বাৰ্ত্তাসেৱা- শেহতীয়াকৈ কেন্দ্ৰৰ পৰা প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ১৬, ৮১০টা ঘৰৰ অনুমোদন লাভ কৰিছে অসম চৰকাৰে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে তথ্য প্ৰকাশ কৰি উল্লেখ কৰা অনুসৰি প্ৰধানমন্ত্ৰী আৱাস যোজনা ২.০ৰ অধীনত অসমে ২২০.১২ কোটি টকাৰ আবণ্টন লাভ কৰাৰ লগতে ১৬, ৮১০টা ঘৰৰ অনুমোদন লাভ কৰিছে। আনহাতে ২৭, ৫৪৪টা গৃহ অনুমোদন পৰ্যায়ত আছে। মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ কৃতজ্ঞতা জ্ঞাপন কৰি উল্লেখ কৰে যে এই গৃহ নিৰ্মাণ আঁচনিখনে সমগ্ৰ অসমতে স্থায়ী গৃহ প্ৰদানৰ

( দহ পৃষ্ঠাত চাওক)

# জৱাহৰলাল নেহৰুৰ অভিলেখ ভংগৰ দিশে প্ৰধানমন্ত্ৰী মোদী



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰীৰূপে অনন্য কৃতিত্বৰ অধিকাৰী হ'ব নৰেন্দ্ৰ মোদী। দেশৰ ইতিহাসত সৰ্বাধিক সময় একেৰাহে প্ৰধানমন্ত্ৰীৰ পদত অধিষ্ঠিত থকাৰ এক বিৰল অভিলেখ গঢ়াৰ দিশে অগ্ৰসৰ হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ। ১০ জুন তাৰিখে এই ঐতিহাসিক নজিৰ স্থাপন কৰিব প্ৰধানমন্ত্ৰী মোদীয়ে। সেইদিনাই ভংগ হ'ব ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ একেৰাহে সৰ্বাধিক সময় প্ৰধানমন্ত্ৰী হৈ থকাৰ অভিলেখপূৰ্ণ কাৰ্যকাল। ইয়াৰ লগে লগে নৰেন্দ্ৰ মোদী দেশৰ ইতিহাসত দীৰ্ঘকাল দায়িত্ব পালন কৰা নিৰ্বাচিত প্ৰধানমন্ত্ৰী হিচাপে পৰিগণিত হ'ব। দেশত প্ৰথমবাৰলৈ লোকসভা নিৰ্বাচন হৈছিল ১৯৫২ চনত। ১৩ মে' ১৯৫২ চনত প্ৰধানমন্ত্ৰী হিচাপে শপত লৈছিল জৱাহৰলাল নেহৰুৱে। ১৯৫২ৰ পৰা ১৯৬৪চনৰ ২৭ মে'লৈ ধাৰাবাহিকভাৱে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি আছিল পণ্ডিত জৱাহৰলাল নেহৰুৱে। ১৯৫২ চনৰ ১৩ মে'ৰ পৰা ১৯৬৪ চনৰ ২৭ মে'লৈ সৰ্বমুঠ ৪ হাজাৰ ৩৯৮ দিন প্ৰধানমন্ত্ৰী হিচাপে দায়িত্বত আছিল জৱাহৰলাল নেহৰু। কিন্তু জৱাহৰলাল নেহৰুৰ এই অভিলেখ অহা ১০ জুনত ভংগ কৰিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। উল্লেখ্য যে যোৱা বছৰ জুলাই মাহত মোদীয়ে ইন্দিৰা গান্ধীৰ একেৰাহে ৪, ০৭৭ দিন প্ৰধানমন্ত্ৰী হৈ থকাৰ অভিলেখ ইতিমধ্যে ভংগ কৰিছে। ২০১৪ চনৰ ২৬ মে'ত প্ৰথমবাৰৰ বাবে দেশৰ প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিছিল প্ৰধানমন্ত্ৰী মোদীয়ে। ইয়াৰ পিছত ধাৰাবাহিকভাৱে তিনিখনকৈ লোকসভা নিৰ্বাচনত জয়লাভ কৰি দেশৰ নেতৃত্ব বহন কৰি আহিছে। অহা ১০ জুন হ'ব মোদীৰ কাৰ্যকালৰ ৪, ৩৯৯ সংখ্যক দিন। যিটো হ'ব ভাৰতীয় ৰাজনীতিৰ বাবে এক ঐতিহাসিক ক্ষণ। ৰাজনৈতিক কেৰিয়াৰত অনন্য কৃতিত্ব তথা মাইলৰ খুটি স্থাপন হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ। জৱাহৰলাল নেহৰু ভাৰতৰ প্ৰধানমন্ত্ৰী হোৱাৰ সময় আৰু এতিয়া নৰন্দ্ৰ মোদীয়ে দায়িত্ব চম্ভালি থকাৰ সময়ৰ ভাৰতৰ মাজত আছে বহু পাৰ্থক্য। সদ্যস্বাধীন হোৱা দেশখনৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী হিচাপে দেশক সেৱা আগবঢ়াইছিল জৱাহৰলাল নেহৰুৱে। নেহৰুৰ সময়ত সদ্যস্বাধীন হোৱা দেশখনৰ উন্নয়নৰ সম্পূৰ্ণ দায়িত্ব চৰকাৰৰ বুলি গণ্য কৰা হৈছিল। কিন্তু মোদী চৰকাৰৰ কৰ্মশৈলী আৰু দৃষ্টিভংগী ইয়াৰ পৰা সম্পূৰ্ণ পৃথক। বিৰোধীৰ প্ৰত্যাহ্বানক ওফৰাই দেশৰ জনতাৰ আশিস লৈ তৃতীয়বাৰলৈ প্ৰধানমন্ত্ৰী হিচাপে শপত লোৱাৰ সৌভাগ্য হৈছে নৰেন্দ্ৰ মোদীৰ। সৰ্বাধিক সময় প্ৰধানমন্ত্ৰী হিচাপে দায়িত্ব থকা নেতা হোৱাৰ দিশে অগ্ৰসৰ হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী।

# ৰাহুল-গিলৰ শতকৰ সহায়ত প্ৰথম দিনাই ভাৰতৰ ৩৬৮ ৰান সংগ্ৰহ



ৰঙিলী বাৰ্ত্তাসেৱা- আলহী দল আফগানিস্তানৰ বিপক্ষে শনিবাৰৰ পৰা আৰম্ভ হোৱা একমাত্ৰ টেষ্টৰ প্ৰথমদিনাই নিজৰ স্থিতি শক্তিশালী কৰে ভাৰতে। প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা ভাৰতে অধিনায়ক শুভমন গিলৰ অপৰাজিত শতক আৰু অ'পেনাৰ লোকেশ ৰাহুলৰ শতকৰ সহায়ত প্ৰথমদিনৰ খেলৰ অন্তলৈকে প্ৰথম ইনিংছত তিনিটা উইকেট হেৰুৱাই ৩৬৮ ৰান সংগ্ৰহ কৰে। দিনান্তত অধিনায়ক গিলে ১০৩ আৰু ঋষভ পন্টে ৫০ ৰান কৰি নটআউট হৈ থাকে। ইনিংছ - আৰম্ভণি সুখকৰ নাছিল ভাৰতৰ। দলীয় স্ক'ৰ ৪১ ৰানত জয়ছোৱালৰ ৰূপত প্ৰথমটো উইকেট হেৰুৱায় ঘৰুৱা দলটোৱে। জয়ছোৱালে মাত্ৰ ২৪ ৰান কৰে। অৱশ্যে টেষ্ট ক্ৰিকেটত তৃতীয়টো শতক অৰ্জন কৰা ৰাহুলে সাই সুদৰ্শনৰ সৈতে লগ লাগি দ্বিতীয় উইকেটত ১৩৯ ৰান সংগ্ৰহ কৰি দলৰ বিপৰ্যয় ৰোধ কৰে। সুদৰ্শনে ৮১ ৰান কৰি বিদায় লোৱাৰ বিপৰীতে ৰাহুলে ১০০ ৰানৰ অৰিহণা আগবঢ়ায়। ইফালে, গিল আৰু পন্টে চতুৰ্থ উইকেটত অপৰাজিতভাৱে ১২১ ৰান সংগ্ৰহ কৰি দলক শক্তিশালী স্থিতিত উপবিষ্ট কৰায়। টেষ্ট ক্ৰিকেটত একাদশসংখ্যক শতক অৰ্জন কৰা গিলে ১৪৩টা বলত ১০৩ আৰু পন্টে ৭০টা বলত ৫০ ৰান কৰি অপৰাজিত হৈ থাকে।

# অম্বুবাচী মহাযোগক লৈ

কৰা হয়। বৈঠকৰ অন্তত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কয় যে মূলতঃ কামাখ্যা কৰিড'ৰ নিৰ্মাণক লৈয়েই এই বৈঠক অনুষ্ঠিত হৈছে। এই পৰিকল্পনা আজিৰ নহয়, বহুদিন আগৰে পৰা আমি এই প্ৰকল্পক আগুৱাই নিছিলোঁ। কৰিড'ৰটো নিৰ্মাণৰ আৰম্ভণিতে অঞ্চলটোৰ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠান তথা বাসভৱনক লৈ স্থানীয় লোকৰ বহু সমস্যা চলি আছিল। এই সমস্যাসমূহ সমাধানৰ বাবে আজি ৰাইজৰ সৈতে আলাপ-আলোচনা কৰিছোঁ। অহা ৮ জুনৰ পৰা ৰাইজৰ ওজৰ-আপত্তি সন্দৰ্ভত এক আলোচনা অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰি মন্ত্ৰী বৰুৱাই কয় যে এসপ্তাহৰ ভিতৰত সকলো সমস্যাৰ সম্পূৰ্ণ সমাধান হ'ব বুলি আমি আশা প্ৰকাশ কৰিছোঁ। বিভিন্ন সময়ত সৃষ্টি হোৱা কেতবোৰ সমস্যাৰ বাবে নিৰ্মাণত বাধাৰ সন্মুখীন হোৱা কামাখ্যা কৰিড'ৰ আগন্তুক দুবছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি সংবাদ মাধ্যমৰ আগত সদৰী কৰিছে মন্ত্ৰী বৰুৱাই। তেওঁ কয় যে কৰিড'ৰটো নিৰ্মাণৰ বাবে সৃষ্টি হোৱা সমস্যাসমূহ আমি প্ৰায় সমাধানৰ দিশে লৈ আনিছোঁ। সকলো দিশ সূক্ষ্মভাৱে পৰীক্ষা-নিৰীক্ষা কৰাৰ পাছতে এই বৃহৎ প্ৰকল্পক চৰকাৰে আগুৱাই নিব। ইয়াৰ বাবেও সকলো প্ৰস্তুতি একপ্ৰকাৰ সম্পূৰ্ণ হোৱাৰ পথত বুলি উল্লেখ কৰি তেওঁ কয় যে কামাখ্যাধামলৈ অহা দৰ্শনাৰ্থীয়ে যাতে কোনোধৰণৰ অসুবিধাত পৰিবলগীয়া নহয়, তেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব বিচৰা বিষয়বোৰত ৰাইজে সন্মতি দিছে। ৰাইজৰ মতেই সকলোবোৰ কাম আমি আগুৱাই নিম। মন্ত্ৰী বৰুৱাই আগন্তুক ২২ জুনৰ পৰা কামাখ্যা দেৱালয়ত অনুষ্ঠিত হ'বলগীয়া অম্বুবাচী মহাযোগৰ প্ৰস্তুতি সন্দৰ্ভতো সংবাদ মাধ্যমক অৱগত কৰে। তেওঁ কয় যে আগন্তুক অম্বুবাচী মহাযোগ সুকলমে পৰিচালনা কৰিবলৈ সকলো ধৰণৰ প্ৰস্তুতি চৰকাৰে লৈছে। বিগত বৰ্ষসমূহত অম্বুবাচী মহাযোগৰ সময়ত ৰাজ্যত ভক্ত-দৰ্শনাৰ্থীৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে যদিও সাম্প্ৰতিক সময়ত ভক্ত-দৰ্শনাৰ্থীৰ সংখ্যা বৃদ্ধিয়ে কিছু সমস্যাৰ সৃষ্টি কৰাৰ সম্ভাৱনা আছে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়াইছে মন্ত্ৰী বৰুৱাই। তেওঁ কয় যে কামাখ্যা কৰিড'ৰ সম্পূৰ্ণ হৈ উঠাৰ পাছত ভক্তৰ সংখ্যা বৃদ্ধি পালেও কোনোধৰণৰ সমস্যাৰ সৃষ্টি নহয়। কিন্তু কৰিড'ৰটো সম্পূৰ্ণ হৈ নুঠালৈকে অসুবিধা কিছু হ'ব পাৰে। গতিকে এইবাৰ বাৰ্ষিক পাৰম্পৰিক নিয়ম মতেহে অম্বুবাচী মহাযোগ পালন কৰা হ'ব বুলিও তেওঁ লগতে কয়। অৱশ্যে ভক্ত-দৰ্শনাৰ্থী অম্বুবাচী মহাযোগৰ সময়ত দেৱী কামাখ্যাৰ আশিস ল'বলৈ আনবাৰৰ দৰে এইবাৰো আহিব। তথাপি প্ৰয়োজন সাপেক্ষেহে চৰকাৰে ব্যৱস্থাসমূহ গ্ৰহণ কৰিব। কিন্তু বিগত বছৰবোৰৰ দৰে অম্বুবাচী মহাযোগৰ অন্তৰ সময়ত ভিভিআইপি পৰম্পৰা বৰ্জন কৰা নিয়ম এইবাৰো বাহাল থাকিব বুলি তেওঁ সদৰী কৰে। উল্লেখ্য যে এই বৈঠকখনত কামাখ্যাধামৰ বৰদলৈ কবীন্দ্ৰ প্ৰসাদ শৰ্মা, কামৰূপ (মহানগৰ) জিলাৰ জিলা আয়ুক্ত স্বপ্নীল পালকে ধৰি জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ কেইবাগৰাকীও শীৰ্ষ বিষয়াই অংশগ্ৰহণ কৰে।

# ভাৰতীয় দলৰ অধিনায়ক হিচাপে শ্ৰেয়াছ আয়াৰৰ নাম ঘোষণা



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে শনিবাৰে আয়াৰলেণ্ড আৰু ইংলেণ্ড ভ্ৰমণৰ বাবে টি-২০ দলটো ঘোষণা কৰাৰ লগতে আগন্তুক এছিয়ান গেমছৰ বাবেও ভাৰতীয় দলটো ঘোষণা কৰে। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে সূৰ্যকুমাৰ যাদৱক আঁতৰাই শ্ৰেয়াছ আয়াৰক ভাৰতীয় টি-২০ দলটোৰ নতুন অধিনায়ক হিচাপে ঘোষণা কৰে। শুকুৰবাৰে লোৱা সিদ্ধান্তটো ব'ৰ্ডে শনিবাৰে আনুষ্ঠানিকভাৱে ঘোষণা কৰে। বিস্ময়বালক বৈভৱ সূৰ্যৱংশীয়ে ঘোষণা কৰা তিনিওটা দলতে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ঘোষণা কৰা তিনিওটা দলত ৬জন নতুন খেলুৱৈক অন্তৰ্ভুক্ত কৰাৰ বিপৰীতে ৬জন আগশাৰীৰ খেলুৱৈক বাদ দিয়া হৈছে। আয়াৰলেণ্ড, ইংলেণ্ড আৰু এছিয়ান গেমছৰ বাবে ঘোষণা কৰা তিনিওটা দলত স্থান লাভ কৰাৰ পৰা বঞ্চিত হয় সূৰ্যকুমাৰ যাদৱ। সূৰ্যকুমাৰৰ লগতে হাৰ্দিক পাণ্ডিয়া, যশপ্ৰীত বুমৰাহ, কুলদীপ যাদৱ আৰু ৰিংকু সিঙকো বাদ দিয়া হৈছে। তিলক বাৰ্মাক সহঃঅধিনায়ক হিচাপে নিযুক্তি দিয়া হৈছে। উল্লেখ্য যে আয়াৰলেণ্ড আৰু ইংলেণ্ড শৃংখলাৰ পৰা ঈশান কিষাণ বাদ পৰিলেও এছিয়ান গেমছৰ দলত তেওঁক অন্তৰ্ভুক্ত কৰা হৈছে। টীম ইণ্ডিয়াই আয়াৰলেণ্ডৰ বিৰুদ্ধে ২৬, ২৮ জুনত দুখন টি-২০ আৰু ১-১১ জুলাইলৈ ইংলেণ্ডৰ বিপক্ষে পাঁচখন টি-২০ মেচ খেলিব। আয়াৰলেণ্ড-ইংলেণ্ড শৃংখলাৰ বাবে ঘোষিত ভাৰতীয় দলটো হ'ল- শ্ৰেয়াছ আয়াৰ, তিলক বাৰ্মা, ৰবি বিষ্ণৈ, অভিষেক শৰ্মা, নীতিশ কুমাৰ ৰেড্ডী, মহম্মদ চিৰাজ, সঞ্জু ছেমছন, অক্ষৰ পেটেল, হৰ্ষিত ৰাণা, ঈশান কিশন, ৱাশ্বিংটন সুন্দৰ, অৰ্শদীপ সিং, শিৱম ডুবে, বৰুণ চক্ৰৱৰ্তী, প্ৰিঞ্চ যাদৱ আৰু বৈভৱ সূৰ্যৱংশী। এছিয়ান গেমছলৈ ঘোষিত ভাৰতীয় দলটো- শ্ৰেয়াছ আয়াৰ, তিলক বাৰ্মা, ৰবি বিষ্ণৈ, অভিষেক শৰ্মা, নীতিশ কুমাৰ ৰেড্ডী, যশপ্ৰীত বুমৰাহ, সঞ্জু ছেমছন, অক্ষৰ পেটেল, হৰ্ষিত ৰাণা, ঈশান কিশন, ৱাশ্বিংটন সুন্দৰ, অৰ্শদীপ সিং, শিৱম ডুবে, বৰুণ চক্ৰৱৰ্তী আৰু বৈভৱ সূৰ্যৱংশী।

# ৰাজ্যিক কৰ্মচাৰীলৈ অতিৰিক্ত ২ শতাংশ মৰগীয়া বানচ




ৰঙিলী বাৰ্ত্তাসেৱা- মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ পাছত শুকুৰবাৰে ১৬ গৰাকী মন্ত্ৰীক লৈ অসম চৰকাৰৰ কেবিনেট বৈঠক বহিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। দিছপুৰৰ লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা কেবিনেট বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয় । বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীয়ে কেবিনেটৰ সিদ্ধান্তসমূহ সংবাদমেলযোগে সদৰী কৰে ।এই কেবিনেট বৈঠকতেই ৰাজ্যৰ কৰ্মচাৰী আৰু পেন্সনাৰসকলৰ মৰণীয়া ভাট্টা আৰু মৰগীয়া সকাহ ২ শতাংশ বৃদ্ধিত অনুমোদন (দহ পৃষ্ঠাত চাওক)

# জ্যোতি-বিষ্ণু কলা মন্দিৰত মন্ত্ৰীৰূপে শপত ল'লে ১২বিধায়কে



ৰঙিলী বাৰ্ত্তাসেৱা- শুকুৰবাৰে সম্প্ৰসাৰণ কৰা হ'ল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভা। শুকুৰবাৰে মুঠ ১২ গৰাকী বিধায়কে মন্ত্ৰী হিচাবে শপতগ্ৰহণ কৰাৰ লগে লগে মুখ্যমন্ত্ৰীসহ ১৭ জনীয়া হ'ল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভা। দিনৰ ১২.৪৫ বজাত গুৱাহাটীৰ খানাপাৰাস্থিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত অনুষ্ঠিত হয় এই শপতগ্ৰহণ অনুষ্ঠান। ১২ গৰাকী নৱনিযুক্ত মন্ত্ৰীক ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱালে। উল্লেখ্য যে যোৱা ১২ মে'ত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ সৈতে চাৰিগৰাকী মন্ত্ৰী ক্ৰমে ৰামেশ্বৰ তেলী, অতুল বৰা, চৰণ বড়ো আৰু অজন্তা নেওগে শপত লৈছিল। মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটাই ১২গৰাকী মন্ত্ৰী ক্ৰমে অশ্বিনী ৰায় সৰকাৰ, অশোক সিংহল, বিমল বড়া, বিশ্বজিৎ দৈমাৰী, জয়ন্ত মল্ল বৰুৱা, কেশৱ মহন্ত, কৌশিক ৰায়, কৃষ্ণেন্দু পাল, নীলিমা দেৱী, পীযুষ হাজৰিকা, সুশান্ত বৰগোহাঁই, ( নপৃষ্ঠাত চাওক)

# পুনৰ মণিপুৰত হিংসা



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ চুবুৰীয়া ৰাজ্য মণিপুৰত হিংসাৰ দাবানল । শুকুৰবাৰে ৰাজ্যখনৰ কাংপকপি জিলাত তিনিজন নিৰীহ লোকক হত্যা কৰাৰ ঘটনাই অঞ্চলটোত পুনৰবাৰ উত্তেজনাৰ সৃষ্টি কৰিছে ।এগৰাকী আৰক্ষী বিষয়াই জনোৱা মতে শুকুৰবাৰে পুৱাৰ ভাগতে অজ্ঞাত পৰিচয়ৰ কেইজনমান বন্দুকধাৰীয়ে লোইবোল খুল্লেন গাঁৱত সোমাই আক্ৰমণ চলায়। পিছত তিনিজন লোকৰ মৃতদেহ উদ্ধাৰ হয়। আৰক্ষী সূত্ৰই জনোৱা মতে এইমৃত লোকসকল ক্ৰমে লেটখনগাম হাওকিপ, তেওঁৰ পত্নী টিনমাৰী হাওকিপ আৰু জংগমিনলান হাওকিপ। আৰক্ষীয়ে জনোৱা মতে সাতটা ঘৰত জুই লগাই দিয়া হৈছে। কুকি লোকসকলে ইয়াৰ বাবে অভিযোগৰ আঙুলি টোৱাইছে নগা সশস্ত্ৰ সংগঠনৰ ফালে। আৰক্ষীয়ে জনোৱা মতে এই ঘটনাক লৈ তদন্ত আৰম্ভ কৰা হৈছে।

# মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব হিচাপে বিধায়ক তৰংগ গগৈ কৃষ্ণকমল তাঁতীক নিযুক্তি





ৰঙিলী বাৰ্ত্তাসেৱা- মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ পাছত শুকুৰবাৰে ১৬ গৰাকী মন্ত্ৰীক লৈ অসম চৰকাৰৰ কেবিনেট বৈঠক বহিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ।দিছপুৰৰ লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা কেবিনেট বৈঠকতমন্ত্ৰীসকলৰ দপ্তৰ বিতৰণৰ প্ৰসংগত কয়, শপত গ্ৰহণ কৰা মন্ত্ৰীসকলৰ মাজত সাতদিনৰ ভিতৰত দপ্তৰ বিতৰণ কৰা হ'ব ।দপ্তৰ বিতৰণৰ ক্ষেত্ৰত অলপ সময় ল'ম ।আগৰ মন্ত্ৰীসকলৰ কাম-কাজ আৰু নতুন মন্ত্ৰীসকলে কোনটো ক্ষেত্ৰত বেছি ভালদৰে কাম-কাজ কৰিব পাৰিব, সেইটো পৰ্যালোচনা কৰি খৰখেদা নকৰাকৈ দপ্তৰসমূহ বিতৰণ কৰিম । কিন্তু কাইলৈ অভিভাৱক মন্ত্ৰীৰ দায়িত্বখিনি আবণ্টন কৰি দিম ।যাতে মন্ত্ৰীসকলে বিভিন্ন জিলালৈ গৈ বান পৰিস্থিতি সম্পৰ্কীয় বিষয় সমূহৰ বুজ ল'ব পাৰে । উল্লেখ্য যে মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব হিচাপে ৰঙাপৰাৰ বিধায়ক কৃষ্ণকমল তাঁতী আৰু নাহৰকটীয়াৰ বিধায়ক তৰংগ (চাৰিপৃষ্ঠাত চাওক)

# গোৱালপাৰাত টিফিনত গো-মাংস

কৰে। পাছত আৰক্ষীয়ে ঘটনাটো গুৰুত্বসহকাৰে লৈ তদন্ত আৰম্ভ কৰে। ইফালে শনিবাৰে পুৱাই ভুক্তভোগী দুই হিন্দু পৰিয়ালৰ লগতে বহু স্থানীয় দল-সংগঠনে বিদ্যালয় চৌহদত নিষিদ্ধগো-মাংসৰ ঘটনাটোক লৈ এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰি প্ৰতিবাদ সাব্যস্ত কৰে। বিদ্যালয়ৰ মূল প্ৰবেশদ্বাৰত প্ৰতিবাদ-কাৰীসকলে 'আমাক ন্যায় লাগিবই', 'হিন্দু ঐক্য জিন্দাবাদ','বিদ্যালয় কৰ্তৃপক্ষ হায় হায়', 'হিন্দুক অপমান কৰা নচলিব', 'ভাৰত মাতা কি জয়' আদি শ্লোগান দি পৰিৱেশ উত্তাল কৰি তোলে। ইফালে প্ৰতিবাদকাৰীৰ প্ৰতিবাদৰ মাজতে জিলা আযুক্ত প্ৰদীপ টিমুং আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্ত বিদ্যালয়খনত উপস্থিত হয়। জিলাৰ মুৰব্বী দুয়োগৰাকী বিষয়াই বিদ্যালয় কৰ্তৃপক্ষৰ সৈতে সমগ্ৰ ঘটনাৰ বুজ লৈ সাংবাদিকৰ আগত মন্তব্য কৰি জিলা আযুক্তগৰাকীয়ে কয় যে বিদ্যালয়ত এনে ঘটনা অবাঞ্ছিত।আমি বিষয়টো অতি গুৰুত্বসহকাৰে লৈছোঁ আৰু তদন্তৰ জৰিয়তে দোষীক উচিত শাস্তি বিহা হ'ব বুলি আশ্বাস দি সকলো শ্ৰেণীৰ ৰাইজক শান্তি-সম্প্ৰীতি বজাই ৰাখিবলৈ আহ্বান জনায়। অভিভাৱকসকলকো সাৱধানতা অৱলম্বনৰ আহ্বান জনায়। টিফিনত বিশেষকৈ মাছ-মাংস পৰিহাৰ কৰা উচিত বুলি উল্লেখ কৰে আযুক্তগৰাকীয়ে। তাৰ পাছত মূল প্ৰৱেশদ্বাৰত প্ৰতিবাদ কৰি থকা প্ৰতিবাদকাৰীসকলক তদন্তৰ জৰিয়তে দোষীক শাস্তি প্ৰদানৰ আশ্বাস দিয়াত প্ৰতিবাদ স্থগিত ৰাখে। ইফালে পৰিয়ালে আৰক্ষীক দিয়া এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ৫জন ছাত্ৰৰ লগতে অভিভাৱকক আটক কৰি থানালৈ আনে। সোধা-পোছাৰ অন্তত আৰক্ষীয়ে ঘৰৰ পৰা গো-মাংস-লৈ অহা ছাত্ৰজনক আটক কৰাৰ লগতে মাতৃ নুৰ চাহিদা বেগমক গ্ৰেপ্তাৰ কৰি জে'ল-হাজোতলৈ প্ৰেৰণ কৰে। ইফালে ঘটনাৰ বিষয়ে জানিবলৈ বিদ্যালয়খনত উপস্থিত হোৱা সংবাদ মাধ্যমৰ আগত বিদ্যালয় কৰ্তৃপক্ষই জনায় যে, কালি নৱম শ্ৰেণীৰ কেইজনমান ছাত্ৰই টিফিনৰ সময়ত নিষিদ্ধ মাংস অনা বুলি গম পালোঁ । এজন শিক্ষকে কথাটো গম পোৱাত মোৰ ওচৰলৈ লৈ আহে। তাৰ পিছতে জ্যেষ্ঠসকলৰ সৈতে বহি বিষয়টো সন্দৰ্ভত ছাত্ৰকেইজনৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা কৰোঁ আৰু ভৱিষ্যতে যাতে এনে কাম নকৰে তাৰ প্ৰতিশ্ৰুতি লিখি স্বাক্ষৰ কৰি ল'লোঁ। তাৰ পিছত ঘটনাৰ জটিলতাৰ কথা চিন্তা কৰি আমি গোটেই ষ্টাফ বহি আলোচনা কৰিলোঁ আৰু বিষয়টো যাতে গভীৰতালৈ নাযায় বা অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে তেওঁলোকক প্ৰথমবাৰৰ বাবে ক্ষমা কৰি দিলোঁ। তেওঁ লগতে কয়, আমি ভাবিছোঁ যে ইয়াত ছাত্ৰকেইজনৰো ভুল নাই বা আমাৰো ভুল হোৱা নাই। তেওঁলোকৰ অভিভাৱক সক্ষম থাকিব লাগিছিল। নিষিদ্ধ মাংস তেওঁলোকে স্কুলত পঠিয়াব নালাগিছি। ছাত্ৰকেইজনে আন সম্প্ৰদায়ৰ ছাত্ৰক নিষিদ্ধ মাংস খুৱাই দিম বুলি কৈছিল।

# সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন পুনৰ নাকচ




ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ হত্যাৰ গোচৰৰ শুনানি ফাষ্টট্ৰেক আদালতত চলি আছে। তাৰ মাজতে এই গোচৰৰ অন্যতম মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ শুনানি বৃহস্পতিবাৰে গ্ৰহণ কৰে আদালতে । শ্যামকানু মহন্তৰ পাছত জামিন বিচাৰি উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল জুবিন গাৰ্গ হত্যাকাণ্ডৰ মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মা। বৃহস্পতিবাৰে আছিল সিদ্ধাৰ্থৰ জামিন আবেদনৰ শুনানি। কিন্তু উচ্চ ন্যায়ালয়ত জুবিন গাৰ্গ হত্যাৰ মূল অভিযুক্ত মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ জামিনৰ শুনানি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ আদালতে। ইয়াৰ লগে লগে উচ্চন্যায়ালয়ত সিদ্ধাৰ্থ শৰ্মাৰ জামিনৰ শুনানি সম্পন্ন নহ'ল। এতিয়া সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন অন্য ন্যায়াধীশৰ বিচাৰপীঠলৈ স্থানান্তৰ কৰি শুনানি গ্ৰহণ কৰা হ'ব। উচ্চ ন্যায়ালয়ৰ পঞ্জীয়কে অন্য ন্যায়াধীশৰ বিচাৰপীঠলৈ স্থানান্তৰ কৰাৰ পিছত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰা হ'ব। বৃহস্পতিবাৰে আদালতত মহাবীৰ একুৰা সন্দৰ্ভত ফাষ্টট্ৰেক আদালতে লোৱা সিদ্ধান্তৰ বিৰুদ্ধে স্বত্বাধিকাৰী তথা সিদ্ধাৰ্থৰ ব্যৱসায়িক সহযোগী চেতন ধীৰাচিবাই দাখিল কৰা আবেদনৰো কোনো শুনানি গ্ৰহণ নকৰিলে। এতিয়া সিদ্ধাৰ্থ শৰ্মাই পৰৱৰ্তী দিন ধাৰ্য নোহোৱা পৰ্যন্ত জামিন লাভ কৰাত ব্যৰ্থ হয়। উল্লেখ্য যে জুবিন গাৰ্গ হত্যাৰ ( পাঁচ পৃষ্ঠাত চাওক)

# যোৰাবাটত আৰ্হি হাস্পতাল উদ্বোধন কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- যোৰাবাটত উন্নত মানৰ উচ্চ প্ৰযুক্তিৰ ১২০খন বিছনাযুক্ত আৰ্হি হাস্পতাল আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, ৰাসায়নিক তথা সাৰ মন্ত্ৰী জে পি নাড্ডাই অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে মেঘালয় চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী ৱাইলাডমিকি শ্বাইল্লা, মেঘালয় চৰকাৰৰ মন্ত্ৰী সম্প্টেনেছ ছ'হতুন, অসম চৰকাৰৰ মন্ত্ৰী ৰামেশ্বৰ তেলী, মেঘালয়ৰ বিধায়ক এ এল হেক, হাস্পতালৰ মুখ্য কাৰ্যবাহী বিষয়া ডাঃ মহামায়া প্ৰসাদ সিংহৰ লগতে অনুষ্ঠানত বিশিষ্ট অতিথি, স্বাস্থ্য বিশেষজ্ঞ সমাজ নেতা আৰু বহুসংখ্যক সাধাৰণ নাগৰিক। হাস্পতালৰ মূল লক্ষ্য হৈছে সুলভ মূল্যত উচ্চ মানৰ স্বাস্থ্য সেৱা আগবঢ়োৱা। উন্নত ডায়গনষ্টিক সুবিধা, আধুনিক অপাৰেচন থিয়েটোৰ, ক্ৰিটিকেল কেয়াৰ ইউনিট, জৰুৰীকালীন আৰু ট্ৰমা কেয়াৰ ( পাঁচ পৃষ্ঠাত চাওক)

# প্ৰতি ইউনিটত ২৮ পইচা পৰ্যন্ত বৃদ্ধি পালে বিদ্যুৎ মাচুল



ৰঙিলী বাৰ্ত্তাসেৱা- এইবাৰ বৃদ্ধি পালে বিদ্যুতৰ মাচুল। ৰন্ধন গেছ, পেট্ৰ'ল-ডিজেলৰ পাছত এইবাৰ জনতাৰ মূৰত বিদ্যুৎ মাচুলৰ মাধমাৰ। চলিত মাহৰ পৰা প্ৰতি ইউনিটত ১৬ পইচাৰ পৰা সৰ্বাধিক ২৮ পইচালৈ বিদ্যুৎ মাচুল বৃদ্ধিৰ সিদ্ধান্ত লৈছে অসম শক্তি বিতৰণ কোম্পানী এপিডিচিএলে। উল্লেখ্য যে শেহতীয়াকৈ বিদ্যুৎ নিয়ামক আয়োগৰ ওচৰত এপিডিচিএলে অতিৰিক্ত বোজা হ্ৰাস কৰিবলৈ মাচুল বৃদ্ধিৰ প্ৰস্তাৱ আগবঢ়াইছিল। এই প্ৰস্তাৱৰ সঁহাৰি জনাই বিদ্যুৎ মাচুল বৃদ্ধিৰ বাবে এপিডিচিএলক দিয়া অনুমোদনৰ পাছতে চলিত মাহৰ পৰাই বিদ্যুৎ মাচুল বৃদ্ধি হ'ব। আনহাতে, কোনটো মাহত প্ৰতি ইউনিটত কিমানকৈ মূল্য বৃদ্ধি হ'ব তাৰো তালিকা প্ৰস্তুত কৰিলে বিভাগটোৱে। এই অনুসৰি চলিত মাহৰ বাবে প্ৰতি ইউনিটত ২১ পইচাকৈ বৃদ্ধি হ'ব। আনহাতে জুলাই মাহৰ বাবে বৃদ্ধি হ'ব প্ৰতি ইউনিটত ১৮ পইচা, আগষ্ট মাহত প্ৰতি ইউনিটত ১৬ পইচাকৈ, ছেপ্টেম্বৰ আৰু অক্টোবৰ মাহত ১৭ পইচাকৈ, নৱেম্বৰ মাহত ১৯ পইচাকৈ, ডিচেম্বৰ মাহত ২৪ পইচাকৈ, অহা বৰ্ষৰ জানুৱাৰী মাহত ২৬ পইচাকৈ, ফেব্ৰুৱাৰী মাহত ২৫ পইচাকৈ আৰু মাৰ্চ মাহত সৰ্বাধিক ২৮ পইচাকৈ প্ৰতি ইউনিটত বৃদ্ধি হ'ব মাচুল। উল্লেখ্য যে, মাচুল বৃদ্ধিত এপিডিচিএলে ( নপৃষ্ঠাত চাওক)

# জালুকবাৰীত জীৱন্তে অগ্নিদগ্ধ হৈ ৪জনৰ মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীত পুনৰ সংঘটিত হৈছে এক ভয়াৱহ অগ্নিকাণ্ডৰ ঘটনা। মহানগৰীৰ জালুকবাৰীৰ গাড়ীগাঁৱৰ অন্তৰ্গত জয়মতী নগৰত বৃহস্পতিবাৰে মাজনিশা সংঘটিত হৈ এই বিধ্বংসী অগ্নিকাণ্ডটো। এই অগ্নিকাণ্ডত জীৱন্তে অগ্নিদগ্ধ হৈ একেটা পৰিয়ালৰ ৪ জনকৈ লোকৰ মৃত্যু হয়। মৃত লোককেইজন গোৱালপাৰাৰ লক্ষীপুৰৰ বুলি জানিব পৰা গৈছে। অঞ্চলটোত চাহ-ভাতৰ এখন হোটেলেৰে দীৰ্ঘদিন ধৰি জীৱিকা অৰ্জন কৰিছিল গোৱালপাৰা জিলাৰ লক্ষীপুৰৰ কুৰ্ম্মাকাটী গাঁৱৰ বাসিন্দা আব্দুল কুদ্দুছ আৰু কাজলী বেগমে। হোটেলখন সুচাৰুৰূপে চলাই নিয়াৰ ক্ষেত্ৰত দম্পতীটোক সহায় আগবঢ়াই আহিছিল দুই পুত্ৰ ছফিকুল আলী আৰু শাহিদ আলীয়ে। অঞ্চলটোৰ ৰেহেনা চৌধুৰী নামৰ এগৰাকী মহিলাৰ ঘৰত ভাৰাতীয় হিচাপে থকা পৰিয়ালটোৰ ভাৰাঘৰৰ সন্মুখতে হোটেলখন অৱস্থিত আছিল। আনদিনাৰ দৰেই বৃহস্পতিবাৰে (দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ৰ আধ্যাত্মিকতাৰ প্ৰাণকেন্দ্ৰ শ্ৰী শ্ৰী কলী আইথান পৰিচালনা সমিতিৰ প্ৰশংসনীয় পদক্ষেপ




ৰঙিলী বাৰ্ত্তাসেৱা- ধৰ্মীয় আৰু আধ্যাত্মিক চিন্তা-চৰ্চাৰ সমান্তৰালকৈ নৱ-প্ৰজন্মৰ শৈক্ষিক তথা সামাজিক উত্তৰণৰ লক্ষ্যৰে ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত আইথান প্ৰেক্ষাগৃহত শ্ৰী শ্ৰী কলীয়া থান পৰিচালনা সমিতিৰ সৌজন্যত অনুষ্ঠিত হোৱা বিশেষ কাৰ্যসূচীত অঞ্চলটোৰ সদ্যঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতি ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰা হয়। ইয়াৰ উপৰি সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ অৱদান আগবঢ়োৱা

# মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক

গৰাকী দায়িত্ব অৰ্পণ কৰা হৈছে। ইফালে অহা ৬ জুলাইৰ পৰা হ'ব লগা বিধানসভাৰ বাজেট অধিৱেশন সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে যে চৰকাৰৰ কাৰ্যকালৰ শেষ সময়ত তিনি মাহৰ বাবে পূৰ্ণাংগ বাজেটৰ পৰিৱৰ্তে লেখানুদান গ্ৰহণ কৰা হয়। ইয়াৰ বাবে ৰাজ্যৰ বহুকেইখন উন্নয়নমূলক আঁচনি এই সময়ছোৱাত বন্ধ হৈ আছে। কিছু আঁচনি লেখানুদানৰ ধনেৰে চলাই থকা হৈছে। সেয়েহে ৬ জুলাইত বিধানসভাৰ বাজেট অধিৱেশন আহ্বান কৰা হৈছে যাতে এক আগষ্টৰ পৰা প্ৰতিখন চৰকাৰী আঁচনিৰ সুবিধা নিয়মিতভাৱে অসমৰ ৰাইজে পাব পাৰে। বিধানসভাৰ অধিৱেশন এখন আহ্বান কৰিবলৈ এমাহৰ জাননীৰ প্ৰয়োজন হয়। সেই অনুসৰি অহা ৬ জুলাইত এই অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিৱেশনত বাজেট গৃহীত হ'লে ১ আগষ্টৰ পৰা সকলো চৰকাৰী আঁচনিৰ সুবিধা পূৰ্বৰ দৰে অসমৰ ৰাইজে লাভ কৰিব পাৰিব।

# কৰ্ণাটকৰ নতুন মুখ্যমন্ত্ৰীৰূপে শপত ল'লে ডি কে শিৱকুমাৰ




ৰঙিলী বাৰ্তাসেৱা- কৰ্ণাটকৰ নতুন মুখ্যমন্ত্ৰী হিচাপে বুধবাৰে কৰ্ণাটক কংগ্ৰেছৰ সভাপতি ডি কে শিৱকুমাৰে মুখ্যমন্ত্ৰীৰূপে শপত লয়। লোকভৱনত অনুষ্ঠিত শপতগ্ৰহণ অনুষ্ঠানত ৰাজ্যপাল থাৱাৰচন্দ গেহলটে শিৱকুমাৰক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। ভাৰতৰ সংবিধানৰ প্ৰতিলিপি হাতত লৈ শিৱকুমাৰে সন্যাসী 'গংগাধৰ আজ্জা'ৰ নামত শপতগ্ৰহণ কৰে। শিৱকুমাৰৰ উপৰিও উপ-মুখ্যমন্ত্ৰীকে ধৰি অন্যান্য ১৩জন মন্ত্ৰীয়ে একেটা অনুষ্ঠানতে শপতগ্ৰহণ কৰে। বিগত ২৮ মে'ত মুখ্যমন্ত্ৰী পদৰ পৰা এছ সিদ্দাৰামাইয়াই পদত্যাগ কৰাৰ পাছতে অনুষ্ঠিত হৈছিল কংগ্ৰেছ দলৰ এক বিশেষ বৈঠক ।৩০ মে'ত এই ( নপৃষ্ঠাত চাওক)

# নতুন দিল্লীত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ



ৰঙিলী বাৰ্তাসেৱা-দিল্লী ভ্ৰমণৰত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ভ্ৰমণসূচীৰ অন্তিম দিনা নতুন দিল্লীত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বুধবাৰে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ সৈতে হোৱা এই সাক্ষাৎ কালত ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশ তথা ভৱিষ্যতৰ উন্নয়নৰ পৰিকল্পনাৰ কথা অৱগত কৰে। একেৰাহে দ্বিতীয়টো কাৰ্যকালৰ বাবে মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত ৰাষ্ট্ৰপতি মুৰ্মুৰ সৈতে মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ এয়া আছিল প্ৰথম সাক্ষাৎ। সামাজিক মাধ্যম এক্সত ৰাষ্ট্ৰপতি ভৱনত হোৱা সাক্ষাতৰ বিষয়ত সবিশেষ ব্যক্ত কৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই ৰাষ্ট্ৰপতি মুৰ্মুক 'সাহস, ধৈৰ্য আৰু নেতৃত্বৰ প্ৰতীক' বুলি অভিহিত কৰে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক নতুন দিল্লীত পুনৰবাৰ সাক্ষাৎ কৰাৰ সৌভাগ্য লাভ কৰিলোঁ। অসাধাৰণ সাহস, ধৈৰ্য আৰু মানবীয় গুণসমৃদ্ধ নেতৃত্বৰে দেশক বাট দেখুৱাই লৈ যোৱা ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে প্ৰতিটো সাক্ষাতত আমি সমৃদ্ধ হোৱাৰ লগতে গভীৰভাৱে ( নপৃষ্ঠাত চাওক)

# বিধায়ক অখিল গগৈৰ মাতৃ প্ৰিয়দা গগৈ আৰু নাই



ৰঙিলী বাৰ্তাসেৱা- জাতীয়তাবাদী সত্তা, অসমৰ এটা চিনাকি সংগ্ৰামী সত্তা, সাহসী নাৰীৰূপে পৰিচিত, শিৱসাগৰ সমষ্টিৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ মাতৃ প্ৰিয়দা গগৈ আৰু নাই। দীৰ্ঘদিন বাৰ্ধক্যজনিত কাৰণত চিকিৎসাধীন হৈ বুধবাৰে পুৱা ৬.২০ বজাত প্ৰিয়দা গগৈৰ গুৱাহাটীত পৰলোক ঘটে। গুৱাহাটীৰ পৰা অখিল গগৈৰ মাতৃৰ নশ্বৰদেহ যোৰহাটৰ মৰিয়নি লুখুৰাসন গাঁৱৰ নিজ বাসগৃহলৈ নিয়া হয় আৰু অজস্ৰ গুণমুগ্ধৰ শেষ শ্ৰদ্ধাঞ্জলিৰ পিছত শেষকৃত্য সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত ( নপৃষ্ঠাত চাওক)

# দিল্লীৰ মালব্য নগৰত ভয়ংকৰ অগ্নিকাণ্ড



ৰঙিলী বাৰ্তাসেৱা- ৰাজধানী দিল্লীৰ মালব্য নগৰ অঞ্চলৰ এখন হোটেলত বুধবাৰে ভয়াৱহ অগ্নিকাণ্ড সংঘটিত হয়। ৫ মহলীয়া এই হোটেলখনৰ বেছমেণ্টত জুই লগাৰ ফলত এই অগ্নিকাণ্ডটো সংঘটিত হয়।এই ঘটনাত চৈজন লোক অগ্নিদগ্ধ হৈ মৃত্যুমুখত পৰে। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে, পুৱা ৮.৫০ বজাত ফ্ল'ৰিছ ষ্টে' বি এণ্ড বি নামৰ হোটেলখনৰ বেছমেণ্টত জুই লাগে। এই জুয়ে হোটেলখনৰ কোঠাসমূহলৈ বিয়পি পৰে। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে, জুয়ে চৌপাশে বেৰি ধৰাত বেছিভাগ লোকেই হোটেলৰ ভিতৰত আবদ্ধ হৈ পৰে। তাৰ মাজৰে কেইবাজনো লোকে প্ৰাণ বচাবলৈ হোটেলখনৰ বিভিন্ন মহলাৰ পৰা তললৈ জাঁপ মাৰে। কিন্তু কোঠাৰ ভিতৰত আবদ্ধ হৈ থকা ২১জন লোক অগ্নিদগ্ধ হৈ মৃত্যুমুখত পৰে। মৃত্যুমুখত পৰা লোকসকলৰ ভিতৰত ১৭জনেই বিদেশী পৰ্যটক বুলি কোৱা হৈছে। মালব্য নগৰৰ এই ( নপৃষ্ঠাত চাওক)

# সিদ্ধাৰ্থ শৰ্মাৰ জামিন

গোচৰত ফাষ্টট্ৰেক আদালতত জামিন বিচাৰি ব্যৰ্থ হোৱা আন এজন অন্যতম অভিযুক্ত শ্যামকানু মহন্তৰো জামিন নাকচ কৰিছিল উচ্চ ন্যায়ালয়ে। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ আদালতে শ্যামকানু মহন্তৰ জামিন নাকচ কৰিছিল। আনহাতে যোৱা ২৬ মে'ত জুবিন গাৰ্গৰ হত্যা গোচৰৰ লগত জড়িত ৭ অভিযুক্তৰ বিৰুদ্ধে চাৰ্জফ্ৰেমৰ ধাৰা আৰোপ কৰাৰ পাছত অহা ৮ জুনৰ পৰা সাক্ষীৰ বাবে দিন ধাৰ্য কৰিছে ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে। প্ৰায় ৩৪৯ গৰাকী সাক্ষীৰ ভিতৰত বিচাৰটোত সহায় হোৱাকৈ চৰকাৰী অধিবক্তাই সাক্ষী প্ৰদান কৰিব। উল্লেখ্য যে এই অভিযুক্ত ৭জনৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ৩৬, ৩৭, ৩৮ৰ অধীনত বিচাৰ প্ৰক্ৰিয়া চলিব বুলি গোচৰৰ লোক অধিবক্তা জিয়াউল কামাৰে পূৰ্বে সংবাদ মাধ্যমৰ আগত উল্লেখ কৰিছিল।

# যোৰাবাটত আৰ্হি

সেৱাৰ লগতে অভিজ্ঞ চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ সৈতে এই চিকিৎসালয়খনক উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত এক অন্যতম চিকিৎসা কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। অনুষ্ঠানত চৰকাৰী বিষয়া, স্বাস্থ্য বিশেষজ্ঞ, উদ্যোগপতি, সমাজসেৱী সংগঠন আৰু অঞ্চলটোৰ বিভিন্ন প্ৰান্তৰ নাগৰিকসকলৰ উপস্থিতিয়ে অনুষ্ঠানটোৰ সৌষ্ঠৱ বঢ়ায়।

# দক্ষিণ কামৰূপৰ পলাশবাৰীৰ উদীয়মান সাহিত্য সাধক শচীন্দ্ৰ কুমাৰ দাসৰ সাহিত্য চৰ্চাৰ অনন্য যাত্ৰা



ৰঙিলী বাৰ্তাসেৱা- দক্ষিণ কামৰূপৰ পলাশবাৰী অঞ্চলৰ এগৰাকী নিষ্ঠাবান সাহিত্য সাধক তথা সমাজকৰ্মী শচীন্দ্ৰ দাসৰ নিৰৱচ্ছিন্ন সাহিত্য সাধনাই বৰ্তমান সমগ্ৰ অঞ্চলটোতে এক বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ব্যৱসায়িক ব্যস্ততাৰ মাজতো তেখেতে চলাই যোৱা এই সাহিত্য চৰ্চা সঁচাকৈয়ে আদৰণীয় আৰু প্ৰশংসনীয়। ১৯৮৩ চনত জন্মগ্ৰহণ কৰা শচীন্দ্ৰ দাসৰ পিতৃ আছিল প্ৰয়াত খগেন দাস (প্ৰাক্তন চৰকাৰী কৰ্মচাৰী) আৰু মাতৃ কিৰণ দাস (গৃহিণী)। তেখেতে কোকৰাঝাৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা সমাপ্ত কৰি পৰৱৰ্তী সময়ত কোকৰাঝাৰ মহেন্দ্ৰ চৌধুৰী হাইস্কুলৰ পৰা হাইস্কুলীয়া শিক্ষা লাভ কৰে। ইয়াৰ পিছত তেখেতে দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জাৰ পৰা উচ্চ শিক্ষা গ্ৰহণ কৰে। পেচাগতভাৱে এগৰাকী সফল ব্যৱসায়ী যদিও সাহিত্যৰ প্ৰতি থকা দুৰ্বাৰ হেঁপাহৰ বাবেই তেখেতে বিভিন্ন উল্লেখনীয় সৃষ্টিৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিবলৈ নিৰন্তৰ প্ৰয়াস চলাই আহিছে। তেখেতৰ প্ৰধান সাহিত্যিক কৃতিসমূহৰ ভিতৰত স্বৰচিত কবিতা পুথি 'অপ্ৰতিদ্বন্দ্বী', 'অনুভৱ' আৰু 'প্ৰতিশ্ৰুতি' অন্যতম। কেৱল স্বতন্ত্ৰ পুথিয়েই নহয়, তেখেতে 'কোকৰাঝাৰ বেলৰতল শিৱ মন্দিৰ'ৰ স্মৃতিগ্ৰন্থ 'ভক্ত বৎসল'ৰ সম্পাদনাৰ দায়িত্বও দক্ষতাৰে পালন কৰিছে। ইয়াৰ উপৰি দক্ষিণ কামৰূপৰ বিভিন্ন সামাজিক আৰু ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ স্মৃতিগ্ৰন্থসমূহত তেখেতৰ মূল্যৱান ( নপৃষ্ঠাত চাওক)

# ডিজিটেল যুগত দেউৰী ভাষা আৰু সংস্কৃতি সংৰক্ষণৰ প্ৰয়োজনীয়তা




**জ্যোতিপ্ৰসাদ দেউৰী,নাৰায়ণপুৰ, লখিমপুৰ**

ভাৰতবৰ্ষ বিভিন্ন ভাষা, সংস্কৃতি আৰু পৰম্পৰাৰে সমৃদ্ধ এখন দেশ। এই বৈচিত্ৰ্যৰ মাজত দেউৰী জনগোষ্ঠীয়ে নিজস্ব ভাষা, সংস্কৃতি, ৰীতি-নীতি, লোকসংগীত আৰু ঐতিহ্য বহন কৰি আহিছে। কিন্তু বৰ্তমানৰ ডিজিটেল যুগত বিশ্বায়ন, নগৰীকৰণ আৰু আধুনিক জীৱনশৈলীৰ প্ৰভাৱত বহু সৰু ভাষা আৰু সংস্কৃতি অস্তিত্বৰ সংকটৰ সন্মুখীন হৈছে। দেউৰী ভাষা আৰু সংস্কৃতিও ইয়াৰ ব্যতিক্ৰম নহয়। সেয়েহে ডিজিটেল যুগত দেউৰী ভাষা আৰু সংস্কৃতি সংৰক্ষণৰ প্ৰয়োজনীয়তা আগতকৈ অধিক বৃদ্ধি পাইছে।

ভাষা কেৱল যোগাযোগৰ মাধ্যম নহয়; ই এখন সমাজৰ ইতিহাস, পৰিচয়, জ্ঞান আৰু সংস্কৃতিৰ বাহক। যেতিয়া এটা ভাষাৰ ব্যৱহাৰ কমি যায়, তেতিয়া সেই ভাষাৰ সৈতে জড়িত বহু মূল্যৱান জ্ঞান, লোককথা, গীত-মাত, প্ৰবাদ-প্ৰবচন আৰু ঐতিহ্যও হেৰাই যোৱাৰ আশংকা থাকে। বৰ্তমান সময়ত বহু দেউৰী পৰিয়ালত নতুন প্ৰজন্মই মাতৃভাষাৰ পৰিৱৰ্তে অন্য ভাষাৰ ব্যৱহাৰ অধিক কৰিছে। ফলস্বৰূপে ভাষাটোৰ প্ৰচলন ধীৰে ধীৰে হ্ৰাস পাইছে।

ডিজিটেল মাধ্যমসমূহে ভাষা আৰু সংস্কৃতি সংৰক্ষণৰ ক্ষেত্ৰত এক নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। সামাজিক মাধ্যম, ইউটিউব, ফেচবুক, ইনষ্টাগ্ৰাম, ৱেবছাইট, মোবাইল এপ্লিকেচন আৰু অনলাইন শিক্ষামূলক প্লেটফৰ্মৰ জৰিয়তে দেউৰী ভাষাক বিশ্বৰ আগত উপস্থাপন কৰিব পাৰি। দেউৰী ভাষাৰ গীত, কবিতা, গল্প, অভিধান, পাঠ্যসামগ্ৰী আৰু সাংস্কৃতিক অনুষ্ঠানসমূহ ডিজিটেল ৰূপত সংৰক্ষণ কৰিলে সেয়া ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক মূল্যৱান সম্পদ হিচাপে ৰৈ যাব।

বিশেষকৈ যুৱ সমাজে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। তেওঁলোকে দেউৰী ভাষাত ভিডিঅ', গীত, শিক্ষামূলক সামগ্ৰী, ব্লগ আৰু সামাজিক মাধ্যমৰ বিষয়বস্তু সৃষ্টি কৰি ভাষাটোৰ জনপ্ৰিয়তা বৃদ্ধি কৰিব পাৰে। একে সময়তে বিদ্যালয়, মহাবিদ্যালয় আৰু বিভিন্ন সামাজিক সংগঠনেও ভাষা আৰু সংস্কৃতিৰ সংৰক্ষণৰ বাবে সচেতনতা বৃদ্ধি কৰা প্ৰয়োজন।

দেউৰী সংস্কৃতিৰ বিভিন্ন দিশ যেনে লোকসংগীত, নৃত্য, উৎসৱ-পাৰ্বণ, পৰম্পৰাগত পোছাক, খাদ্যাভ্যাস আৰু লোকবিশ্বাসসমূহ ডিজিটেল নথিপত্ৰ হিচাপে সংৰক্ষণ কৰাটোও অত্যন্ত জৰুৰী। ইয়াৰ দ্বাৰা বিশ্বৰ বিভিন্ন প্ৰান্তৰ লোকেও দেউৰী সংস্কৃতিৰ বিষয়ে *(বাৰপৃষ্ঠাত চাওক)*

# পথ নে গৰু-ছাগলীৰ চৰণীয়া পথাৰ



**কুণ্ডিল হাজৰিকা, ভগামুখ, টিয়ক, যোৰহাট**

বৰ্তমান আমাৰ ৰাজ্যৰ উন্নত পথসমূহ দ্ৰুত যাতায়তৰ পৰিৱৰ্তে যেন মৃত্যুৰ ফান্দলৈহে ৰূপান্তৰিত হৈছে। বিশেষকৈ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা গাঁৱৰ পকী আলিবাটবোৰত গৰু ছাগলীৰ অবাধ বিচৰণে চৰম বিপদ মাতি আনিছে। পথাৰত এৰাল দিয়াৰ সলনি একাংশ দায়িত্বহীন পশুপালকে পশুধনক পথলৈ মেলি দিয়াৰ ফলত নিতৌ ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হৈছে।

প্ৰশ্ন হয়, এই দুৰ্ঘটনাবোৰৰ বাবে দায়ী কোন? চৰণীয়া পথাৰ থকাৰ পিছতো কেৱল এলেহী স্বভাৱৰ বাবে পশুধনক ৰাস্তাৰ কাষত মুকলিকৈ এৰি দিয়া হয়। তীব্ৰবেগী যান-বাহনৰ সন্মুখলৈ এই জন্তুবোৰ হঠাতে আহি পৰিলে চালকে নিয়ন্ত্ৰণ হেৰুৱাই মৃত্যুক সাৱটি ল'বলগীয়া হয়। এজন ব্যক্তিৰ প্ৰাণ হানিৰ উপৰি পশুধনসমূহৰো অকাল মৃত্যু ঘটে। অথচ, নিজৰ পোহনীয়া জন্তুৰ প্ৰতি পশুপালকসকলৰ ন্যূনতম দায়িত্ববোধ দেখা নাযায়।

প্ৰশাসনৰ শিথিলতাও এই ক্ষেত্ৰত সমানেই দায়ী। পথৰ ওপৰত গৰু-ছাগলী মেলি দিয়া মালিকক চিনাক্ত কৰি কঠোৰ জৰিমনা বা আইনী ব্যৱস্থা গ্ৰহণ নকৰিলে এই সমস্যা কেতিয়াও শেষ নহয়। পশুধনক পথাৰত খুটি খুটি চৰোৱাৰ (এৰাল দি চৰোৱা) যি পৰম্পৰা আছিল, সেয়া বৰ্তমান বিলুপ্তপ্ৰায়।

পথচাৰীৰ জীৱনক তুচ্ছ জ্ঞান কৰি গৰু-ছাগলীৰ বাবে পথটো এৰি দিয়াৰ এই প্ৰৱণতা এতিয়াই বন্ধ হোৱা উচিত। চৰকাৰ আৰু সচেতন সমাজে একগোট হৈ পশুপালকসকলক দায়িত্বশীল হ'বলৈ বাধ্য নকৰিলে, এই চকচকীয়া পথবোৰ কেৱল শ্মশানৰ পথহে হৈ পৰিব।

# সন্ত্ৰাস

**প্ৰভাত বণিয়া**



মৰুময় পৃথিৱী ধোঁৱা ধূলিৰ আচ্ছাদন
বিভীষিকাময় পৰিৱেশ
স্থান কাল
বিপদাপন্ন
কোনেও টলকিলব নোৱাৰাকৈ
ছানি ধৰিছে অশুভ বিষ বাষ্প
অসহিষ্ণুতাৰ তীব্ৰ উষ্ণতাই জোঁকাৰিছে জীৱন, মন-মগজু
হাই-উৰুমি, হাহাকাৰ, অভাৱ, অনাটন,
তৰ্জন গৰ্জন কিমান প্ৰত্যক্ষ কৰিম আভিজাত্যৰ দপদপনি
ধামখুমীয়া সমাজ, জীৱনদায়িনী ঔষধ
খাদ্য সামগ্ৰীৰ মূল্য আকাশলংঘী
সন্ত্ৰস্ত জনতা
প্ৰতিবাদৰ ভাষা কোনেও নুবুজে
ক্ষণভঙ্গুৰ সুখ শান্তিৰ স্বপ্ন
অভাৱগ্ৰস্তৰ অবিৰত চকুপানী
কি হ'ব অনাগত দিন
দেখা নাই আশাৰ ৰেঙনি নাই
সুচিন্তিত পৰিকল্পনা
অৰাজকতাৰ দাবানল
দুৰ্দিন দুঃস্বপ্নৰ নহব নেকি অৱসান
কৰাল দুৰ্ভিক্ষৰ আগ্ৰাসন
দুখ কষ্ট লাজে অপমানে জৰ্জৰিত
দুচিন্তাত অস্থিৰ জন জীৱন
সময় আজি দুঃসময় সমস্যাৰ
নাই সমাধান ।

# কৃষ্ণচূড়া




**মিতালি বৰঠাকুৰ,মালিগাওঁ, গুৱাহাটী**

কেঁকুৰিটোৰ দুয়োপাৰে কৃষ্ণচূড়া ফুলিছিল
নিতাল ৰাতিটো চৰাইৰ মাতত সাৰ পাই উঠিছিল
হয়তো সিহঁতৰ গাত গুলি লাগিছিল
কোনোবা অচিন দুস্কৃতিকাৰীৰ
কৃষ্ণচূড়াৰ পাতে পাতে তেজৰ চেকুৰা বান্ধিছিল
ফুলবোৰে তাৰে তেজবোৰ সানি লৈছিল
আৰু অধিক ৰঙা হ'বলৈ
শালিকী পুৱাতে বেলিটোৱে
তেজ ৰঙা নৈখনিৰ পানীত গা জুবুৰীয়াব
গছৰ ডালত ওলমি ৰৈছিল
গুলিবিদ্ধ চৰাইৰ নিঠৰ দেহ।
কৃষ্ণচূড়া
অনুভৱত মাতাল হোৱা এটি এটি ছন্দ
বুকুত খুটিয়াই থকা অপেক্ষাৰ এটি বালিমাহী ।

# ডিমেন্‌চিয়া, সামাজিক সচেতনতা আৰু সমাজৰ সহায়ত ঘৰুৱা পৰিচালনা

বৃষ্টি বৰগোহাঁই
সহকাৰী অধ্যাপিকা
সমাজ কৰ্ম অধ্যয়ণ কেন্দ্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়



গবেষণাভিত্তিক এটি আলোচনা- ডিমেন্‌চিয়া (Dementia) হৈছে এক প্ৰগতিশীল স্নায়ৱিক অৱস্থা, য'ত ব্যক্তিৰ স্মৃতি, চিন্তা কৰিব পৰা শক্তি, ভাষা, আচৰণ, ও সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষমতা আৰু দৈনন্দিন জীৱনৰ কাম -কাজ সম্পাদনাৰ ক্ষমতাত যথেষ্টভাৱে প্ৰভাৱিত হোৱা দেখা পোৱা যায়। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে, বিশ্বজুৰি লক্ষ্য লক্ষ্য ব্যক্তি ডিমেন্‌চিয়াত আক্ৰান্ত হৈ ভুক্তভোগী হৈ আছে। এতিয়ালৈকে প্ৰায় ৫৫ মিলিয়ন লোক ডিমেন্‌চিয়া' ত আক্ৰান্ত হৈ আছে আৰু ২০৫০ চনৰ ভিতৰত এই সংখ্যা ১৩৯ মিলিয়নব অধিক হব পাৰে বুলিও গুণাগাথাঁ চলি আছে। অসমৰ ডিব্ৰুগড় জিলাৰ স্থানীয় মহামাৰীৰ পৰিসংখ্যা বিভাগে বৃদ্ধাৱস্থাত বৰ্ধিত হাৰত হোৱা বিমৰ্ষ (Geriatric Depression) ৰ বিষয়ে উল্লেখ কৰিছে। বিশ্বজুৰি ৫৫ মিলিয়নৰ অধিক লোক ডিমেন্‌চিয়া ৰোগৰ সৈতে জীৱনযাপন কৰি আছে। প্ৰতি বছৰে প্ৰায় ১০ মিলিয়ন নতুন ৰোগী চিনাক্ত কৰা হয়। কিছুমান গৱেষণাই কৈছে যে ডিমেন্‌চিয়াত আক্ৰান্ত লোকসকলৰ ৬০% তকৈ অধিক নিম্ন আৰু মধ্যম আয়ব দেশ-সমূহত বসবাস কৰে। ২০৫০ চনৰ ভিতৰত এই অনুপাত ৭১% লৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে। বিশ্বব্যাপি ১.৩ ট্ৰিলিয়নতকৈ অধিক ডিমেন্‌চিয়াৰ ফলত হোৱা আৰ্থিক প্ৰভাৱ দেখিবলৈ পোৱা যায়।

ডিমেন্‌চিয়াৰ কাৰণ-সমূহ হ'লঃ ইয়াৰ প্ৰধান কাৰণটোৱেই হ'ল মগজুৰ কোষবিলাকৰ ক্ষতিগ্ৰস্ত হোৱা বা ধ্বংস হোৱা যাৰ ফলত মগজুৰ আৰু বাহ্যিক পৰিৱেশৰ মাজৰ কথোপকথনত ব্যাঘাত জন্মে।

ক) এলজ্‌ঝেইমাৰ অসুখ (Alzheimer's Disease) প্ৰায় ৫০-৮০% ব্যক্তিৰে যদি এলজঝেইমাৰৰ ৰোগত আক্ৰান্ত হৈছে, তেন্তে পাছলৈ ডিমেন্‌চিয়া হোৱা দেখা পোৱা যায়। গৱেষণাৰ পৰা তথ্য পোৱা গৈছে যে মগজুত 'এমাইলইড্ প্লেক্' (Amyloid plaques) আৰু 'টাউ টেঙ্গোলছ (Tau Tangles) য প্ৰচুৰ পৰিমাণে জমা হোৱাৰ ফলত কোষ আৰু স্নায়ুৰ ক্ৰমান্বয়ে ধ্বংস হৈ যায়। তেওঁলোকৰ ক্ৰমান্বয়ে মনত ৰখাৰ শক্তি, ভাষা প্ৰকাশ আৰু যুক্তিগত কথাবিলাকতো সমস্যা আহি পৰে।

খ) ভাচ্‌কোলাৰ ডিমেন্‌চিয়া (Vascular Dementia) মগজুৰে অক্সিজেনযুক্ত ৰক্ত পোৱাৰ বাবে ৰক্তনলীৰে নিৰ্মিত এক প্ৰক্ৰিয়াৰ ওপৰত নিৰ্ভৰ কৰে। যদি কেতিয়াবা ষ্ট্ৰোক, দুৰ্ঘটনা আদিৰ বাবে মগজুলৈ অক্সিজেনৰ সঠিকভাৱে যোগানত ব্যাঘাত হয়, ফলস্বৰূপে 'ভাস্কুলাৰ ডিমেনচিয়া' ৰ লক্ষণসমূহ দেখা দিব পাৰে। এই লক্ষণসমূহ ষ্ট্ৰোকৰ পাছতে অথবা সময়ৰ লগে লগে বহুতো সৰু সৰু ষ্ট্ৰোকৰ ফলত দেখা দিব পাৰে।

গ) লিউই বডি ডিমেন্‌চিয়া (Dementia with Lewy Bodies) মগজুৰ স্নায়ুৰ ভিতৰত সৃষ্টি হৈ জন্মা হোৱা 'লিউই বডি'ৰ উপস্থিতিয়ে কোষবিলাকৰ অৱক্ষয় ঘটোৱাৰ লগতে স্মৃতি, মনোযোগ আৰু ভাষাগত দক্ষতাত প্ৰভাৱ পেলায়।

ঘ) ফ্ৰন্ট' টেম্পেৰল ডিমেন্‌চিয়া (Frontotemporal Dementia including Pick's Disease) ফ্ৰন্ট' টেম্পেৰেল ডিমেন্‌চিয়া ও সাধাৰণতে মগজুৰ আগফালৰ অংশ ক্ষতিগ্ৰস্ত হয়। সৰ্বপ্ৰথমে তেওঁলোকৰ মনত ৰখাৰ শক্তিতকৈ ব্যক্তিত্ব ও আচৰণত বেছিকৈ প্ৰভাৱিত কৰে।

ঙ)পষ্টেৰিঅ'ৰ কৰ্টিকেল এট্ৰফি (Posterior Cortical Atrophy -PCA) মগজুৰ পাছফালৰ অংশ বা ভিজুৱেল কৰ্টে'ত ক্ষতি হয়। ফলস্বৰূপে ৰোগীয়ে চকুৰে দেখা পাই বুজিবলৈ অসুবিধা অনুভৱ কৰে, যি প্ৰথম পৰ্যায়ত স্মৃতিজনিত সমস্যাতকৈ বাহুল্য ৰূপত প্ৰতিফলিত হয়।

ডিমেন্‌চিয়াৰ দুৰ্লভ কাৰণসমূহ- ডিমেন্‌চিয়াৰ বহুতো দুৰ্লভ কাৰণ আছে, যেনে প্ৰগ্ৰেছিভ চুপ্ৰানিউক্লিয়াৰ পাল্চি, কৰ্ব্বাকফজ্ ছিড্ৰোম, বিন্সৱেংগাৰ'ছ ডিজিজ, এইচ, আই. ভি. (HIV), ক্ৰিয়োৎজফেল্ড-জেকব্ ডিজিজ (CID), মাল্টিপোল্ স্ক্লেৰ'ছিছ, মটৰ নিউৰন ডিজিজ, পাৰ্কিনচন্‌ছ ডিজিজ আৰু হান্টিং টন'ছ ডিজিজ আদিত ভোগা-ব্যক্তিসকলেবো ডিমেনদিয়া হোৱাৰ আশংকা অধিক থাকে। ডিমেন্‌চিয়াৰ কাৰণসমূহ ডিমেন্‌চিয়া হৈছে এক ক্ৰমাগতভাৱে অগ্ৰসৰ হোৱা মানসিক অৱস্থা। ইয়াৰ ফলত মানুহৰ স্মৰণশক্তি, বুজিব পৰা ক্ষমতা, যোগাযোগ দক্ষতা আক যুক্তিবোধ ক্ৰমানয়ে হ্ৰাস পাব ধৰে। ডিমেন্‌চিয়াৰ অগ্ৰগতি ব্যক্তি ভেদে বেলেগ হয় । কিছুমানৰ ক্ষেত্ৰত ই দ্ৰুতগতিত বৃদ্ধি পায়, আনহাতে কিছুমানৰ ক্ষেত্ৰত বহু বছৰৰ ভিতৰত ধীৰে ধীৰে বিস্তাৰ লাভ কৰে। প্ৰতিজন ব্যক্তি নিজৰ স্বকীয় উপায়েৰে এই অভিজ্ঞতাৰ সন্মুখীন হয়।

ব্যক্তি এজনে ডিমেন্‌চিয়াক কেনেদৰে অনুভৱ কৰে, সেয়া বহু কাৰকৰ ওপৰত নিৰ্ভৰ কৰে যেনে শাৰীৰিক গঠন, মানসিক দৃঢ়তা, তেওঁ লোকৰ বাসস্থানৰ পৰিবেশ আৰু উপলব্ধ সহায়-সমৰ্থন। ডিমেন্‌চিয়াক বিভিন্ন স্তৰত বিভক্ত কৰি বুজিবলৈ চেষ্টা কৰাটো এক প্ৰয়াস যদিও এই স্তৰসমূহ কেৱল এক সামগ্ৰিক দিশ - নিৰ্দেশহে। সকলো ব্যক্তিৰ একেধৰণে ক্ষেত্ৰত সকলো লক্ষণ দেখা নাযায়। এই লক্ষণসমূহ সিকোনো স্তৰত প্ৰকাশ পাব পাৰে উদাহৰণ-স্বৰূপে, অন্তিম স্তৰত দেখা দিয়া কোনো আচৰণ মধ্যম স্তৰতো দেখা দিব পাৰে। তদুপৰি, যত্ন লোৱা ব্যক্তি বা পৰিয়ালৰ সদস্যসকলে মনত ৰাখিব লাগিব যে সকলো স্তৰতে কেতিয়াবা সুস্থ চিন্তাৰে কোৱা কথা ও সাধাৰণতে কৰা স্বাভাবিত আচৰণ ও দেখা পোৱা যায়। আহক, প্ৰথমে আমি এলঝেইমাৰ ৰোগৰ প্ৰাৰম্ভিক, মধ্যম, অন্তিম আক পৰ্য্যায়ৰ বৈশিষ্ট্যসমূহ শেষ বৰ্ণনা কৰা হৈছে, লগতে অন্য ধৰণৰ ডিমেন্‌চিয়াৰ বিষয়ে ও আলোচনা কৰা হৈছে।

১) (এলঝেইমাৰ ৰোগ) প্ৰাৰম্ভিক পৰ্যায়- এলঝেইমাৰ ৰোগৰ আৰম্ভণি পৰ্য্যায় সাধাৰণতে সহজে ধৰা নপৰে। বহু সময়ত চিকিৎসক, আত্মীয়-স্বজন বা বন্ধু-বান্ধৱে ইয়াক "বয়সৰ স্বাভাবিক প্ৰভাৱ" বুলি ভুল ধাৰণা কৰি লয়। যিহেতু ৰোগটোৰ আৰম্ভণি ধীৰগতি ও সূক্ষ্মভাৱে হয়, সেয়েহে ইয়াৰ সঠিক আৰম্ভণিৰ সময় নিৰ্ধাৰণ কৰাটো কঠিন হৈ পৰে। ব্যক্তিজনে তলত উল্লেখ কৰা সমস্যাসমূহব সন্মুখীন হ'ব পাৰে। একেলগে একাধিক ব্যক্তিৰ সৈতে কথোপকথন চলাই নিয়াত অসুবিধা অনুভৱ কৰিব পাৰে। বস্তু বা বিষয়বস্তুৰ নিৰ্দ্দিষ্ট শব্দ মনত পেলাব নোৱাৰিব পাৰে। স্মৃতিশক্তি হ্ৰাস পাব পাৰে; যেনে আগদিনা কোনো বন্ধুৰ সৈতে ভোজন কৰাৰ কথাও মনত নাথাকিব পাৰে।- সময়সূচী, সাক্ষাৎকাৰ বা নিয়মীয়া কাৰ্যসূচী মনত ৰাখিবলৈ অসুবিধা হ'ব পাৰে। সংখ্যা আৰু ধনৰ ব্যৱহাৰত বিভ্ৰান্তি বা জটিলতা অনুভৱ কৰিব পাৰে। **আগলৈ..**

# সাম্প্ৰতিক প্ৰেক্ষাপটত পৰিৱেশ সজাগতাৰ গুৰুত্ব



শিল্পা প্ৰিয়ম কুণ্ডিণ্য,গুৱাহাটী, সাতগাঁও

"পৃথিৱী আমাৰ সম্পত্তি নহয়, ই আমাৰ পৰা ধাৰ লোৱা ভৱিষ্যৎ প্ৰজন্মৰ সম্পদ"- এই গভীৰ সত্যই আজিৰ পৰিৱেশ সংকটৰ মূৰত আঙুলি দি আছে। একবিংশ শতিকাৰ দ্ৰুত উন্নয়নৰ দৌৰত মানুহে যিমানেই আগুৱাই গৈছে, সিমানেই প্ৰকৃতিৰ সৈতে থকা সুষম সম্পৰ্কটো বিঘ্নিত কৰি পেলাইছে। এই পৰিস্থিতিত পৰিৱেশ সজাগতা কেৱল এটা বিকল্প নহয়, ই হৈছে মানৱ অস্তিত্ব ৰক্ষাৰ এক মৌলিক সূত্ৰ।

পৰিৱেশ হৈছে জীৱন ব্যৱস্থাৰ মূল ভেঁটি। বায়ু, পানী, মাটি, বন, জীৱ-বৈচিত্ৰ্য-এই সকলো উপাদানে একেলগে জীৱমণ্ডলৰ সূক্ষ্ম সাম্য বজাই ৰাখে। কিন্তু আধুনিক যুগৰ অযৌগিক সম্পদ ব্যৱহাৰ, নিৰ্বিচাৰ বন উজাৰ, শিল্পপ্ৰসাৰ, আৰু প্লাষ্টিক প্ৰদুষণে এই সাম্যত গভীৰ আঘাত হানিছে। ফলস্বৰূপে বিশ্ব উষ্ণায়ন, জলবায়ু পৰিৱৰ্তন, হিমবাহ গলন, সমুদ্ৰ পৃষ্ঠৰ উত্থান, আৰু প্ৰাকৃতিক দুৰ্যোগৰ সঘনতা বৃদ্ধি পাইছে। এইবোৰ ঘটনাই প্ৰমাণ কৰে যে মানুহে প্ৰকৃতিৰ সীমা অতিক্ৰম কৰিছে আৰু তাৰ ফল ভোগ কৰিবলৈ বাধ্য হৈছে।

অসমৰ দৰে প্ৰাকৃতিক সম্পদে ভৰপূৰ ৰাজ্যতো এই সংকট স্পষ্ট। বছৰে বছৰে বানপানীৰ তীব্ৰতা আৰু স্থায়িত্ব বৃদ্ধি পাইছে, নদী ক্ষয়ত ভূমি নষ্ট হৈছে, বন্যপ্ৰাণীৰ বাসস্থান সংকুচিত হৈছে। ই কেৱল পৰিৱেশগত সমস্যা নহয়, ই আৰ্থ-সামাজিক সংকটৰো ৰূপ লৈছে। কৃষি, জীৱিকা আৰু স্বাস্থ্য-এই সকলো ক্ষেত্ৰতে ইয়াৰ নেতিবাচক প্ৰভাৱ পৰিছে।

এই প্ৰেক্ষাপটত পৰিৱেশ সজাগতা হৈছে পৰিৱৰ্তনৰ মূল চাবিকাঠি। সজাগতা মানে কেৱল জ্ঞান নহয়, ই হৈছে দায়িত্ববোধ আৰু আচৰণগত পৰিৱৰ্তন। দৈনন্দিন জীৱনত "Reduce, Reuse, Recycle" নীতি গ্ৰহণ কৰা, নবীকৰণযোগ্য শক্তিৰ ব্যৱহাৰ বৃদ্ধি কৰা, গছ ৰোপণ আৰু বন সংৰক্ষণ কৰা, পানী আৰু শক্তিৰ সঠিক ব্যৱস্থাপনা কৰা-এইবোৰ সৰু সৰু পদক্ষেপে বৃহৎ পৰিৱৰ্তনৰ দুৱাৰ মুকলি কৰিব পাৰে।

শিক্ষা প্ৰতিষ্ঠানসমূহে শিক্ষাৰ সৈতে পৰিৱেশ নৈতিকতা (বাৰপৃষ্ঠাত চাওক)

# বৰ্ষামুখৰ গান



সত্যজিৎ গগৈ,বামুণী গাঁও, কলিয়াবৰ, নগাঁও

আকাশে নীলা চাদৰখন খুলি
মেঘৰ কলমে দুখৰ চিঠি লিখিছে
বতাহে ভিজা বাঁহীৰ সুৰত
পথাৰৰ জোনাকৰ দৰে কঁপিছে।
টুপটুপ বৰষুণৰ শব্দত গাঁওখন জাগি উঠে
শুকান মাটিৰ বুকুত নতুন সপোন গজে
নদীয়ে ঢৌৰ আঁচল উৰুৱাই হাঁহে
পক্ষীৰ ডেউকাত সেউজীয়া সপোন লুকাই থাকে।
পাতত ওলমি থাকে কাঁচৰ দৰে টোপাল
প্ৰতিটো টোপালত যেন আকাশৰ নীৰৱ কোৰ্হাল
মাটিৰ আলিত চপচপীয়া সুৰ এটা বাজে
গাঁওলীয়া সন্ধিয়াটোত অলপ মৰম বাঢ়ে।
শিশুৰ হাঁহিত জিলিকে পথাৰৰ সেউজীয়া ঢৌ
বৰষাই যেন মুকলি কৰে হৃদয়ৰ গোপন মৌ
দুৰণিৰ গাঁওখনত কুঁৱলীয়ে সপোন ৰচে
ভিজা আকাশৰ তলত সময় নীৰৱে সৰে।

# শিশুৰ ব্যক্তিত্ব গঠনত পিতৃ-মাতৃৰ ভূমিকা

যোৱাখণ্ডৰ পৰা..



দৰ্শনা দত্ত,দেৰগাঁও, গোলাঘাট

ই শিশুৰ মানসিক চাপ কমায়, মনোযোগ বৃদ্ধি কৰে আৰু ক্ষিপ্ৰতাৰে সিদ্ধান্ত লোৱাৰ ক্ষমতা গঢ়ি তোলে। খেলপথাৰত দলে-বলে খেলোঁতে শিশুৱে বন্ধুত্ব, সহযোগিতা, অনুশাসন আৰু নেতৃত্বৰ দৰে সামাজিক গুণসমূহ আয়ত্ত কৰে। আজিকালিৰ শিশুৰ মাজত হ্ৰাস পাই অহা ধৈৰ্য শক্তি ঘূৰাই আনিবলৈ সাধুকথা বা মহৎ লোকৰ জীৱনীমূলক কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তোলাটো আন এটা সুন্দৰ উপায়। শিশুৰ ব্যক্তিত্ব গঠনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ হৈছে পিতৃ-মাতৃয়ে সন্তানৰ লগত গুণগত সময় কটোৱা তথা এক সুদৃঢ় বন্ধুত্বৰ সম্পৰ্ক গঢ়ি তোলা। কেৱল শাসন আৰু ভয়ৰ সম্পৰ্কতকৈ বন্ধুসুলভ সম্পৰ্কইহে সন্তানক অধিক মানসিক সুৰক্ষা প্ৰদান কৰে বুলি ক'ব পাৰি। এই বন্ধুত্ব গঢ়ি তোলাৰ প্ৰথম খোজটোৱেই হৈছে সন্তান আৰু পিতৃ মাতৃৰ মাজত মুক্ত আৰু দ্বিধাহীন যোগাযোগ। দিনটোৰ অন্তত সন্তানে যাতে নিজৰ মনৰ সৰু-সৰু উচ্ছাস-আনন্দ, ভয়, সংশয় বা বিদ্যালয়ৰ অভিজ্ঞতাৰ কথাবোৰ অসংকোচে পিতৃ-মাতৃৰ আগত প্ৰকাশ কৰিব পাৰে, ঘৰখনত তেনে পৰিৱেশ এটা থকাটো অতি জৰুৰী।

একেদৰে, পিতৃ-মাতৃয়েও সন্তানৰ কথাবোৰ মাজতে কাটি নিদিয়াকৈ বা তৎক্ষণাত গালি নিদিয়াকৈ এজন প্ৰকৃত বন্ধুৰ দৰে গুৰুত্ব আৰু ধৈৰ্যৰে শুনা উচিত। যেতিয়া সন্তানে বুজি পায় যে তেওঁলোকৰ মতামতৰ মাক-দেউতাকৰ ওচৰত গুৰুত্ব আছে আৰু ভুল কৰিলে গালি খোৱাৰ সলনি মৰমেৰে সমাধান বিচাৰি পোৱা যাব, তেতিয়া তেওঁলোকৰ মনৰ পৰা সংশয় আঁতৰি যায় আৰু নিজৰ জীৱনত ঘটা সকলো ঘটনাই মাক দেউতাকৰ আগত কোনো সংকোচ নোহোৱাকৈ প্ৰকাশ কৰিব পাৰে। পিতৃ-মাতৃৰ লগত থকা এই নিভাজ বন্ধুত্বই শিশুক কেৱল মানসিক আৰু আৱেগিকভাৱে শক্তিশালী কৰাই নহয়, বৰঞ্চ তেওঁলোকক ভৱিষ্যতে যিকোনো ভুল পথ বা বেয়া সংগৰ পৰা আঁতৰাই ৰাখি এজন আত্মবিশ্বাসী আৰু দায়িত্বশীল ব্যক্তি হিচাপেও গঢ়ি তোলে। গতিকে এই চৰম প্ৰতিযোগিতামূলক যুগত পিতৃ-মাতৃয়ে সন্তানক দামী বস্তু, উপহাৰ আদি দিয়াতকৈ গুণগত সময় বেছিকৈ প্ৰদান কৰাটোহে অতি প্ৰয়োজনীয়। যেতিয়া সন্তানে ঘৰত মৰম, সুৰক্ষা আৰু পিতৃ-মাতৃৰ এক সংযত তথা ধৈৰ্যশীল আচৰণৰ আদৰ্শ দেখিবলৈ পাব, তেতিয়া তেওঁলোকৰ মাজতো এক দৃঢ়, আত্মবিশ্বাসী আৰু সুস্থ ব্যক্তিত্ব গঢ়ি উঠিব। ইয়াৰ উপৰি নিজৰ সন্তানক আনৰ সন্তানৰ সৈতে তুলনা কৰি মানসিক চাপ দিয়াৰ পৰিৱৰ্তে, তেওঁলোকৰ মানসিক অৱস্থা, স্বাস্থ্য আদিৰ বুজ লোৱাটোহে মাক-দেউতাকৰ প্ৰধান দায়িত্ব আৰু কৰ্তব্য।

এখন সুন্দৰ আৰু সবল সমাজ গঠনৰ প্ৰথম চৰ্তই হৈছে শিশুৰ সুচৰিত্ৰ তথা সুস্থ ব্যক্তিত্ব। পিতৃ-মাতৃৰ সচেতনতা, দায়িত্ব, কৰ্তব্য আৰু সঠিক পথ প্ৰদৰ্শনৰ জৰিয়তেহে শিশুৰ সৎ চৰিত্ৰ গঠন আৰু অন্তৰ্নিহিত প্ৰতিভাৰ পূৰ্ণ বিকাশ সম্ভৱ হয়। নিজৰ ঘৰখনত লাভ কৰা মৰম, যত্ন আৰু সংস্কাৰক মূলধন কৰিয়েই শিশুৱে ভৱিষ্যতে সমাজত নিজৰ সবল স্থিতি সাব্যস্ত কৰিবলৈ সক্ষম হয়। বৰ্তমান সময়ত প্ৰতিগৰাকী পিতৃ-মাতৃয়েই নিজৰ সন্তানৰ মানসিক জগতখন বুজি পোৱাটো অতি প্ৰয়োজনীয়। কেৱল অৰ্থ উপাৰ্জন বা ভৌতিক সুখ-সুবিধা প্ৰদান কৰিলেই পিতৃ-মাতৃৰ দায়িত্ব শেষ হয় বুলি ক'ব পৰা নাযায়। ভৌতিক সুখ-সুবিধাতকৈ সন্তানে পিতৃ-মাতৃৰ পৰা মৰম, যত্ন, সময় আৰু মনোযোগহে বেছি বিচাৰে। তাৰোপৰি সন্তানৰ লগত পিতৃ-মাতৃৰ বন্ধুত্বপূৰ্ণ ব্যৱহাৰে সন্তানক নিৰাপত্তা, আত্মবিশ্বাস প্ৰদান কৰাৰ লগতে তেওঁলোকৰ ভৱিষ্যত উজ্জ্বল আৰু সুন্দৰ হোৱাৰ পথ প্ৰশস্ত কৰে। সৎ ব্যক্তিত্ব আৰু মানৱীয় প্ৰমূল্যবোধেৰে গঢ়ি উঠা শিশুৱেই সমাজ তথা দেশৰ আটাইতকৈ ডাঙৰ সম্পদ। প্ৰতিগৰাকী পিতৃ-মাতৃয়েই নিজৰ শিশুটিৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্যক লৈ সম্পূৰ্ণ সচেতন হ'লে নিশ্চিতভাৱে এখন শান্তিপূৰ্ণ আৰু আদৰ্শ সমাজ গঠন কৰাটো সম্ভৱ হৈ উঠিব।

# প্ৰশ্নৰ মাজত ভৱিষ্যৎ




দৰিনা পায়ুন, মাজুলী

গৌৰৱে এইবাৰ CBSE-ৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষা দিছিল। পৰীক্ষাৰ বাবে তেওঁ বহুত কষ্ট কৰিছিল। কিন্তু পৰীক্ষাৰ পিছত মূল্যায়ন, ফলাফল আৰু শিক্ষাব্যৱস্থাক লৈ বিভিন্ন বিতৰ্কৰ খবৰ দেখি তেওঁৰ মনত চিন্তা জন্মিল।


আনফালে তেওঁৰ ঘনিষ্ঠ বন্ধু বিশাল আছিল এজন NEET Aspirant। ডাক্তৰ হোৱাৰ সপোনেৰে তেওঁ দিন-ৰাতি একাকাৰ কৰি পঢ়িছিল। কিন্তু হঠাতে NEET পেপাৰ লিকৰ খবৰ ওলোৱাত বিশাল হতাশ হৈ পৰিল। তেওঁ ভাবিবলৈ ধৰিলে, "যদি পৰীক্ষাই ন্যায়সংগত নহয়, তেন্তে মোৰ পৰিশ্ৰমৰ মূল্য ক'ত?"

গৌৰৱৰ ডাঙৰ ভায়েক গৰ্ণ UPSC-ৰ বাবে প্ৰস্তুতি চলাই আছিল। এইবাৰৰ UPSC পৰীক্ষা অত্যন্ত কঠিন বুলি বহু প্ৰাৰ্থীয়ে মত প্ৰকাশ কৰিছিল। গৰ্ণ ও চিন্তিত হৈ পৰিছিল, কিন্তু তেওঁ চেষ্টা অব্যাহত ৰাখিছিল। ইয়াৰ মাজতে CUET-ৰ বিভিন্ন সমস্যা আৰু SSC-ৰ পৰীক্ষা সম্পৰ্কীয় বিতৰ্কৰ খবৰো সংবাদ মাধ্যমত সঘনাই দেখা গৈছিল। দেশজুৰি হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ভৱিষ্যৎক লৈ উদ্বিগ্ন হৈ পৰিছিল।

এদিন সন্ধিয়া গৌৰৱ, বিশাল আৰু গৰ্ণ একেলগে বহি আলোচনা কৰিলে। বিশালে ক'লে, "আমাৰ সপোনবোৰ কিয় বাৰে বাৰে সমস্যাৰ সন্মুখীন

(বাৰপৃষ্ঠাত চাওক)

# সপোন এক নীৰৱ সংগ্ৰাম



অৰ্ণৱ কটকী,জাঁজী,যোৰহাট

মাজনিশা বা ওৰে নিশা সাৰ পাই অকল প্ৰেমিক প্ৰেমিকাই নাথাকে। এনে বহু জন ব্যক্তি থাকে যি নিজক লৈ, নিজৰ সপোনক লৈ চিন্তিত। ভৱিষ্যত আমি আগতীয়াকৈ কোনেও নেদেখোঁ। নিজক যেতিয়া অকলে আন্ধাৰ কোঠাত আৱদ্ধ কৰি টোপনি আহিবলৈ বুলি যুঁজা যায় তেতিয়াহে বুজা যায় সপোনৰ ওজন কিমান বেছি! যি দুচকুৰ টোপনি কাঢ়ি নিব পাৰে । বৰ সাহস, বৰ নিষ্ঠুৰ এই সপোন দিনটোৰ সকলো কষ্ট পিছতো টোপনি বিচাৰি থাকিব লগা হয়। সকলো পৰা আঁতৰি যেতিয়া আন্ধাৰক সাৰটি লোৱা যায় তেতিয়াই যেন হেজাৰ চিন্তাই জুমুৰি দি খুলি খুলি খাই। নিশা গভীৰ হয়, চাৰিও ফালে নিতাল, নিস্তব্ধ গধূৰ নিশা নামি আহে তেতিয়াই যেন মনৰ মাজত হেজাৰ চিন্তাৰ ভাৱনাই একেলগে চিঞৰি উঠে, নীৰৱতাৰ মাজত এক বৃহৎ সমদল হে, বুকুৰ মাজত।

নিসংগতা নাইবা নীৰৱতা সৃষ্টিৰ বাবে ভাল, মানুহৰ মাজত থাকি নিসংগ হোৱাটো হে কিন্তু বেয়া।

জীৱনৰ অচিনাকী বাটত আগুৱাই গৈ থাকোঁতে হেৰাই গৈছোঁ

(বাৰপৃষ্ঠাত চাওক)

# প্ৰতি ইউনিটত ২৮ পইচা

বিদ্যুৎ নিয়ামক আয়োগৰ অনুমতি লাভ কৰিছে । চলিত বৰ্ষৰ জুনৰ পৰা ২০২৭ৰ মাৰ্চলৈ এনেদৰে পৃথক পৃথককৈ বিদ্যুৎ মাচুল নিৰ্ধাৰণ কৰা হৈছে । এপিডিচিএলক প্ৰতি ইউনিটত ১৬ ৰ পৰা ২৮ পইচাকৈ বিদ্যুৎ মাচুল বৃদ্ধিত বিদ্যুৎ নিয়ামক আয়োগে অনুমতি প্ৰদান কৰিছে । সেই অনুসৰি চলিত মাহৰ পৰাই বৃদ্ধি হৈছে বিদ্যুৎ মাচুল। এপিডিচিএলক ধাৰ মাৰিবৰ বাবে মাচুল বৃদ্ধিৰ প্ৰস্তাৱত বিদ্যুৎ নিয়ামক আয়োগে অনুমোদন জনাইছে। ধাৰ মাৰিবৰ বাবেই এপিডিচিএলে গ্ৰাহকৰ ওপৰত মাধমাৰ সোধালে। এফপিপিপিএছৰ নামত কোম্পানীসমূহক ২১৫.৩০ কোটি টকা দিবলৈ আছে এপিডিচিএলে। এই ধন গ্ৰাহকৰ পৰা উঠাবলৈ মাচুল বৃদ্ধি কৰিছে এপিডিচিএলে। ১০ মাহৰ ভিতৰত ২১৫ কোটি টকা গ্ৰাহকৰ পৰা এপিডিচিএলে সংগ্ৰহ কৰিব। এপিডিচিএলে ২১৫ কোটি টকা দুমাহতেই গ্ৰাহকৰ পৰা আদায় কৰিব বিচাৰিছিল। কিন্তু দুমাহত এই বুজন ধনৰাশি গ্ৰাহকৰ পৰা আদায় কৰাত বাধা দিলে বিদ্যুৎ নিয়ামক আয়োগে। যাৰ ফলত এতিয়া দহ মাহত এই ২১৫ কোটি টকা গ্ৰাহকৰ পৰা সংগ্ৰহ কৰিব এপিডিচিএলে।

# কৰ্ণাটকৰ নতুন মুখ্যমন্ত্ৰী

বিশেষ বৈঠক অনুষ্ঠিত হোৱাৰ পিছত ৰাজ্যখনৰ কংগ্ৰেছ বিধানসভা পাৰ্টীৰ নেতা নিৰ্বাচিত কৰা হয় । সেই একেখন বৈঠকতে কংগ্ৰেছে বিধায়িনী দলৰ নেতা হিচাপে ডি কে শিৱকুমাৰক নিৰ্বাচিত কৰা হয় । শিৱকুমাৰে সিদ্দাৰমাইয়াৰ মন্ত্ৰীসভাত উপ-মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। নতুন মুখ্যমন্ত্ৰীৰ শপতগ্ৰহণ অনুষ্ঠানত লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধী, এআইচিচিৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, প্ৰাক্তন মুখ্যমন্ত্ৰী সিদ্ধাৰমাইয়া, এআইচিচিৰ সাধাৰণ সম্পাদক কে চি বেণুগোপাল আৰু ৰণদীপ সিং সুৰ্যেৱালা, লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈ, কংগ্ৰেছ শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী, কেইবাগৰাকীও শীৰ্ষ কংগ্ৰেছ নেতা, গণ্যমান্য ব্যক্তি আৰু আমন্ত্ৰিত অতিথি উপস্থিত থাকে । আনহাতে, ডি কে শিৱকুমাৰৰ শপতগ্ৰহণ অনুষ্ঠানত বিভিন্ন মঠ-মন্দিৰৰ সাধু-সন্নাসীকে ধৰি বিভিন্ন ধৰ্মৰ ধৰ্মগুৰুসকল উপস্থিত থাকে।

# বিধায়ক অখিল গগৈৰ

প্ৰিয়দা গগৈৰ বয়স আছিল ৯৪ বছৰ। উল্লেখ্য যে ১৯৩২ চনত টীয়কৰ বামুণপুখুৰীত জন্মগ্ৰহণ কৰা প্ৰিয়দা গগৈয়ে লুখুৰাখন গাঁৱৰ প্ৰয়াত বলোৰাম গগৈৰ সৈতে বিবাহ পাশত আবদ্ধ হয়। প্ৰিয়দা গগৈয়ে স্কুলীয়া অৱস্থাতে দেশৰ স্বাধীনতা আন্দোলনৰ সংস্পৰ্শ লাভ কৰিছিল আৰু গাভৰু কালতে অসমৰ কৃষক আন্দোলনত নামি পৰি কৃষকৰ অধিকাৰৰ বাবে মাত মাতিছিল। পৰৱৰ্তী সময়ত তেওঁৰ পুত্ৰ অখিল গগৈয়ে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ হৈ মাতৃয়ে চলাই যোৱা সংগ্ৰামৰ গুৰি ধৰিছিল। লুখুৰাসনস্থিত ঘৰখন আছিল কৃষক মুক্তি সংগ্ৰাম সমিতিৰ আলোচনাৰ স্থলী। দেশ, জাতিক ভালপোৱা নাৰী হিচাপে পৰিচিত প্ৰিয়দা গগৈয়ে বহু সময়ত অসমীয়া জাতিৰ সন্মুখত সাহসী সংগ্ৰামী নাৰী হিচাপে পৰিচয় দাঙি ধৰিছিল। আনকি সংগ্ৰাম চলাই যোৱা পুত্ৰ অখিল গগৈয়ে কাৰাবাসত থকাৰ সময়ত তেওঁৰ মুক্তিৰ দাবীত ৰে'ল আলিত প্ৰতিবাদ সাব্যস্ত কৰিছিল প্ৰিয়দা গগৈয়ে। ২০১৯ চনত নাগৰিকত্ব সংশোধনী আইনবিৰোধী আন্দোলনৰ সময়ত অখিল গগৈ কাৰাবন্দী হৈ থকা অৱস্থাত পুত্ৰৰ মুক্তিৰ দাবীত অনশন-ধৰ্মঘট কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। মাতৃৰ বিয়োগত শোকবিহ্বল হৈ পৰা অখিল গগৈৰ আৱেগভৰা মন্তব্য আছিল- মোৰ জীৱনটো যদি কোনোবাই গঢ়িছিল, সেয়া আছিল মোৰ মা। আজি প্ৰিয়দা গগৈৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে গুৱাহাটীৰ গান্ধীবস্তিৰ ঘৰখনৰ লগতে লুখুৰাসনস্থিত বাসগৃহতো অনেক গুণমুগ্ধই ভিৰ কৰে।

# দক্ষিণ কামৰূপৰ

লেখা ধাৰাবাহিকভাৱে প্ৰকাশ পাই আহিছে। মহাপুৰুষ শ্ৰী শ্ৰী ঠাকুৰ অনুকুল চন্দ্ৰ চক্ৰৱৰ্তীৰ সৎসংগৰ এগৰাকী দীক্ষিত ভক্ত শচীন্দ্ৰ দাসৰ এই সাহিত্যিক যাত্ৰাত পৰিয়ালৰ ভূমিকা অনন্য। বিশেষকৈ নিজ পত্নীৰ পৰা পোৱা প্ৰচুৰ উৎসাহ আৰু অনুপ্ৰেৰণাই তেখেতক সাহিত্য জগতৰ সৈতে গভীৰভাৱে জড়িত হ'বলৈ সদায় শক্তি যোগাই আহিছে। বৰ্তমান সময়তো হাতত কলম তুলি থকা এইগৰাকী নিষ্ঠাৱান সাহিত্য সাধকে অনাগত দিনত নিজৰ বহুকেইখন স্বৰচিত পুথি প্ৰকাশ কৰাৰ সপোন বুকুত পুহি ৰাখিছে। অঞ্চলটোৰ গুণীজন তথা শুভাকাংক্ষীসকলে শচীন্দ্ৰ দাসৰ এই সাহিত্যিক যাত্ৰাৰ উত্তৰোত্তৰ উন্নতি আৰু সুস্বাস্থ্য কামনা কৰিছে।

# জ্যোতি-বিষ্ণু কলা মন্দিৰত

আৰু ডাঃ ৰণোজ পেগুৱে শপতগ্ৰহণ কৰে। জাতীয় সাজপাৰ পৰিধান কৰি মন্ত্ৰী বিমল বড়াই সংস্কৃতত শপতবাক্য পঢ়াৰ বিপৰীতে কৌশিক ৰায়ে হিন্দীত আৰু কৃষ্ণেন্দু পালে বঙালীত শপতবাক্য পাঠ কৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সম্প্ৰসাৰণ ঘটোৱা মন্ত্ৰীসভাত ৪খন নতুন মুখে স্থান লাভ কৰিলে। পূৰ্বে মন্ত্ৰিত্বৰ অভিজ্ঞ তা নথকা চাৰিগৰাকী মন্ত্ৰী হ'ল- বিশ্বজিৎ দৈমাৰী, নীলিমা দেৱী, সুশান্ত বৰগোহাঁই আৰু অশ্বিনী ৰায় সৰকাৰ। প্ৰথমটো সম্প্ৰসাৰণত বিশেষভাৱে উপস্থিত থাকিল ৰাজ্যত গঠন হোৱা প্ৰথমখন বিজেপি চৰকাৰৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাস, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ লগতে সাংসদ-বিধায়কসহ বহুসংখ্যক বিশিষ্ট ব্যক্তি। গোলকগঞ্জ সমষ্টিৰ পৰা প্ৰথমবাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হোৱা অশ্বিনী ৰায় সৰকাৰে অসমীয়াতে শপতবাক্য পাঠ কৰে। ইফালে পীযুষ হাজৰীকা, অশোক সিংহল, বিশ্বজিৎ দৈমাৰী, জয়ন্ত মল্লবৰুৱা, কেশৱ মহন্ত, নীলিমা দেৱী, ডাঃ ৰণোজ পেগু, সুশান্ত বৰগোঁহায়ে অসমীয়াতে শপত বাক্য পাঠ কৰে। আনহাতে কৌশিক ৰায়ে হিন্দীত, পুনৰ মন্ত্ৰিত্ব লাভ কৰা কৃষ্ণেন্দু পালে বাংলাত আৰু বিমল বড়াই সংস্কৃতত শপতবাক্য পাঠ কৰে। উল্লেখ্য, এই বাৰগৰাকী মন্ত্ৰীৰ সৈতে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন এন ডি এ চৰকাৰৰ কেবিনেট সদস্যৰ সংখ্যা হ'লগৈ ১৭ গৰাকী। ইয়াৰ পূৰ্বে অতুল বৰা, চৰণ বড়ো, ৰামেশ্বৰ তেলী, অজন্তা নেওগক অসম মন্ত্ৰীসভাত স্থান দিয়া হৈছিল। ৰামেশ্বৰ তেলীক ৰূপান্তৰ আৰু উন্নয়ন, শ্ৰম উন্নয়ন, চাহ জনগোষ্ঠী আৰু আদিবাসী কল্যাণ দপ্তৰ, অতুল বৰাক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম চুক্তি ৰূপায়ণ, সীমা সুৰক্ষা আৰু উন্নয়ন আৰু আবকাৰী দপ্তৰ, অজন্তা নেওগক মহিলা আৰু শিশু উন্নয়ন, পৰ্যটন দপ্তৰ আৰু চৰণ বড়োক পৰিবহণ আৰু বড়োলেও কল্যাণ দপ্তৰ প্ৰদান কৰা হৈছিল। বন্দে মাতৰম আৰু জাতীয় সংগীতেৰে আৰম্ভ কৰা শপতগ্ৰহণ অনুষ্ঠানত আজি দেখা গ'ল কেইবাজনো মন্ত্ৰীৰ পৰিয়ালক। শপত গ্ৰহণ কৰা ১২ গৰাকী মন্ত্ৰীক কি কি দপ্তৰ দিয়া হ'ব সেইসম্পৰ্কত অদ্যপৰিমিত কোনোধৰণৰ আনুষ্ঠানিক ঘোষণা দিয়া হোৱা নাই। উল্লেখ্য যে মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ ফলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ মন্ত্ৰীৰ সংখ্যা ১৭জনলৈ বৃদ্ধি পালে। অৱশ্যে এতিয়াও খালী হৈ আছে দুটাকৈ মন্ত্ৰীৰ পদ।

# নতুন দিল্লীত ৰাষ্ট্ৰপতি দ্ৰৌপদী

অনুপ্ৰাণিত হওঁ। তেখেতৰ স্নেহ, আশীৰ্বাদ আৰু প্ৰেৰণাদায়ক বাৰ্তাই জনসেৱাৰ পথত নতুন উদ্যমেৰে আগবাঢ়িবলৈ শক্তি যোগায়। মুখ্যমন্ত্ৰীৰ দায়িত্ব পুনৰ গ্ৰহণৰ পিছতে অসমৰ উন্নয়নী যাত্ৰাৰ বিষয়ে তেখেতক অৱগত কৰাৰ সুযোগ পালোঁ। দেশৰ দ্ৰুততম বিকাশশীল ৰাজ্যসমূহৰ অন্যতম হিচাপে অসমে লাভ কৰা সফলতা আৰু অনাগত দিনত এই অগ্ৰগামী যাত্ৰাক অধিক গতিশীল কৰাৰ নীতি-পৰিকল্পনা সম্পৰ্কেও আলোচনা কৰিলোঁ। উল্লেখ্য যে দিল্লী ভ্ৰমণৰ অন্তিম দিনা মুখ্যমন্ত্ৰী ড° শৰ্মাই পেপছিক'ৰ মুখ্য কাৰ্যবাহী বিষয়া জাগ্ৰুত কটেছাই সাক্ষাৎ কৰে। এই সাক্ষাতৰ সময়ত পেপছিক'ৰ সম্প্ৰসাৰণ সম্বন্ধীয় এক আলোচনা অনুষ্ঠিত হয়। আনহাতে কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ বিভাগৰ লগতে ইলেকট্ৰনিক টেকন'লজি দপ্তৰৰ ৰাজ্য মন্ত্ৰী জিতীন প্ৰসাদৰ সৈতেও মুখ্যমন্ত্ৰী ড°শৰ্মা আন এক বৈঠকত মিলিত হয়। এই বৈঠকত ৰাজ্যৰ ইলেকট্ৰনিক টেকন'লজি ক্ষেত্ৰখনৰ বিকাশৰ সন্দৰ্ভত আলোচনা কৰা হয়। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে অসমত পেপছিক'ৰ চলি থকা বিনিয়োগ আৰু ব্যৱসায়িক কাৰ্যকলাপৰ অগ্ৰগতিৰ লগতে আগন্তুক দিনত কোম্পানীটোৱে ৰাজ্যখনত নিজৰ উদ্যোগ সম্প্ৰসাৰণৰ যি পৰিকল্পনা গ্ৰহণ কৰিছে, সেই বিষয়ে আজিৰ বৈঠকত বিস্তৃত আলোচনা কৰা হয়। আনহাতে পাঁচদিনীয়া দিল্লী ভ্ৰমণ সামৰি বুধবাৰৰ বিয়লি অসমলৈ উভতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। এই সন্দৰ্ভতো সামাজিক মাধ্যমযোগে সদৰী কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, দিল্লী ভ্ৰমণ সফলতাৰে সামৰি আজি পুনৰ অসম অভিমুখে ৰাওনা হৈছোঁ। ৰাজ্যৰ মুখ্য সেৱক হিচাপে দ্বিতীয়বাৰৰ বাবে দায়িত্ব গ্ৰহণৰ পাছত এয়া আছিল মোৰ প্ৰথমটো দিল্লী ভ্ৰমণ। বিশেষ দিনকেইটাত মাননীয় ৰাষ্ট্ৰপতি ডাঙৰীয়ানী, মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াকে ধৰি পৰম শ্ৰদ্ধাৰ নেতৃবৃন্দক সাক্ষাৎ কৰি কিছু সুন্দৰ সময়ৰ সাক্ষী হ'লোঁ। ভিন্ন সময়ত তেখেতসকলে যচা শুভেচ্ছা, আশীৰ্বাদ আৰু অমূল্য সমৰ্থনৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰাৰো সৌভাগ্য লাভ কৰিলোঁ। লগতে বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তি আৰু গোটৰ সৈতে ফলপ্ৰসূ আলোচনাত মিলিত হৈ আনন্দিত হ'লোঁ। অহা ৫ বছৰত দ্বৈত ইঞ্জিন চৰকাৰে অসমৰ উন্নয়নী যাত্ৰাক অধিক গতি প্ৰদান কৰাৰ লগতে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণত এই দিল্লী ভ্ৰমণে বহুখিনি আশাৰ বতৰা কঢ়িয়াব বুলি মই অত্যন্ত বিশ্বাসী।

# দিল্লীৰ মালব্য নগৰত ভয়ংকৰ

বেড এণ্ড ব্ৰেকফাষ্ট হোটেলখনত থকা দুৰ্ভগীয়া বিদেশী পৰ্যটকসকল লিবেৰীয়া, নাইজেৰিয়া, মোজাম্বিক আৰু বাংলাদেশৰ আছিল বুলি কোৱা হৈছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, হোটেলখনৰ পৰা মুঠ ৪৭জন লোকক উদ্ধাৰ কৰা হয় আৰু তেওঁলোকৰ মাজৰো ২৬জনক আহত অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ঘটনাৰ খবৰ পায়েই অগ্নিনিৰ্বাপণ বাহিনীৰ দুখন গাড়ী ঘটনাস্থলীত উপস্থিত হয়। পিছত আৰু কেইবাখনো গাড়ী তালৈ গৈ জুই নুমোৱাৰ লগতে উদ্ধাৰকাৰ্য আৰম্ভ কৰে। দিল্লী আৰক্ষীৰ ১০গৰাকী লোকো উদ্ধাৰকাৰ্য চলোৱাৰ সময়ত আহত হয়। আৰক্ষী সূত্ৰৰ খবৰ মতে, কেইবাজনো লোকক উদ্ধাৰ কৰিব পৰা গৈছে। বহুতেই আতংকিত হৈ হোটেলৰ বেলকনিৰ পৰা তললৈ জঁপিয়ায়। আহত লোকসকলক উদ্ধাৰ কৰি চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। অগ্নিনিৰ্বাপণ বাহিনীৰ বিষয়াসকলে প্ৰকাশ কৰা মতে, হোটেলখনত কেৱল এটাই ছিৰি আৰু লিফ্‌ট থকা বাবে উদ্ধাৰকাৰ্য চলোৱাত যথেষ্ট অসুবিধা হয়। হোটেলখনলৈ প্ৰৱেশ পথো অত্যন্ত ঠেক। দিল্লী অগ্নিনিৰ্বাপণ সেৱা বিষয়া এ কে মালিকে কয় যে অট্টালিকাটোৰ ডিজাইন ত্ৰুটিপূৰ্ণ হোৱা বাবে সমগ্ৰ অট্টালিকাটোকে কম সময়ৰ ভিতৰতে জুই আৰু ধোঁৱাই আগুৰি ধৰে। এই অগ্নিকাণ্ডৰ কাৰণ সম্পৰ্কে এটা বিশদ তদন্ত দিল্লী আৰক্ষীয়ে চলাব বুলি তেওঁ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাত শোক প্ৰকাশ কৰে আৰু নিহত লোকসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। লগতে তেওঁ ঘোষণা কৰে যে মৃত লোকসকলৰ নিকটাত্মীয়ক ২ লাখ টকাকৈ আৰু আহত লোকসকলৰ চিকিৎসাৰ বাবে ৫০ হাজাৰ টকাকৈ দিয়া হ'ব। এই ঘটনাত দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তায়ো শোক প্ৰকাশ কৰে।

# প্ৰধানমন্ত্ৰী আৱাস

লগতে গৃহহীন হিতাধিকাৰীসকলৰ জীৱনৰ মানৱ পৰিৱৰ্তন ঘটাব। তদুপৰি শেহতীয়া অনুমোদনে সমগ্ৰ ৰাজ্যতে গৃহ নিৰ্মাণৰ সুৰক্ষা নিশ্চিত কৰিব। সামাজিক মাধ্যমত পোষ্ট কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই লিখিছে, “মোৰো এটি সপোনৰ ঘৰ হ’ব”-এই সপোন সমাজৰ প্ৰায় প্ৰতিজনৰে মনত-বুকুত সোমাই থাকে। কিছুসংখ্যকে সহজতে কৰি লয় আৰু কিছুৰে আৰ্থিক অৱস্থাৰ বশত পৰি তাৰ বাস্তৱ ৰূপ দিব নোৱাৰা হয়। কিন্তু মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু ডাবল ইঞ্জিন চৰকাৰ আছে সেইসকলৰ সপোনক বাস্তৱ ৰূপ দিবলৈ। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ জৰিয়তে অসমৰ লাখ লাখ পৰিয়ালে এটা পকী ঘৰৰ সপোন সাকাৰ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ দ্বিতীয় সংস্কৰণৰ অধীনত অসমত আৰু ১৬, ৮১০টা গৃহ অনুমোদনৰ জৰিয়তে আমি অধিকসংখ্যক পৰিয়াললৈ নিৰাপত্তা, মৰ্যাদা আৰু উন্নত ভৱিষ্যতৰ আশ্বাস কঢ়িয়াই লৈ যাম।

# গুৱাহাটীলৈ আহিব

দিছপুৰলৈ চলা এই তৎপৰতাৰ মাজতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্ত্ৰী পৰিষদক লৈ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত কৰে। নতুন মন্ত্ৰীসকলৰ লগতে মুখ্য সচিব তথা প্ৰশাসনিক বিষয়াসকল উপস্থিত থকা এই বৈঠকতে ভাৰত-জাপান সন্মিলন সন্দৰ্ভতো বিভিন্ন দিশত আলোচনা হয়। বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড° শৰ্মাই সবিশেষ প্ৰকাশ কৰাৰ পৰিৱৰ্তে মাথোঁ কয়- ‘এটি বিশেষ বিষয়, এখন বিশেষ বৈঠক আৰু এক ঐতিহাসিক ক্ষণলৈ অপেক্ষা।’ অৱশ্যে তেওঁ শীঘ্ৰেই সবিশেষ অৱগত কৰিব বুলিও জানিবলৈ দিয়ে। মন কৰিবলগীয়া কথা যে জাপানাৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে অসমলৈ অহাৰ বাবে ২০১৯ চনতে এক কাৰ্যসূচী হাতত লৈছিল। কিন্তু সেই সময়ত নাগৰিকত্ব সংশোধনী আইন (কা)ক কেন্দ্ৰ কৰি ৰাজ্যৰ পৰিস্থিতি উত্তপ্ত হৈ আছিল। বিদেশী ৰাষ্ট্ৰ নেতাগৰাকীৰ ভ্ৰমণৰ সময়ত পৰিস্থিতি অধিক অৱনতি ঘটাৰ আশংকা কৰি শেষত উক্ত ভ্ৰমণসূচী বাতিল কৰা হৈছিল, যাৰ ফলত অসমৰ বহু ক্ষতি হৈছিল। উল্লেখযোগ্য যে এই সন্মিলনৰ বাবে গুৱাহাটীত উপস্থিত হ’ব জাপানৰ প্ৰধানমন্ত্ৰী ছানাই টাকাইচি আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। মুখ্যতঃ ইণ্ডো-পেচিফিক সুৰক্ষা সম্পৰ্কত দুয়ো দেশৰ মাজত হ’বলগা চুক্তিৰ লগতে যুদ্ধ জাহাজ, ব্ৰাহ্মোছ মিছাইলক লৈও দুয়োখন দেশৰ মাজত চুক্তিৰ সম্ভাৱনা আছে। তদুপৰি দুয়োখন দেশৰ সম্পৰ্কত এই দুয়োগৰাকী প্ৰধানমন্ত্ৰীৰ উপস্থিতিতে নতুন গতি দিয়াৰ চেষ্টা চলিব এই বৈঠকত। সমান্তৰালভাৱে ছেমিকণ্ডাক্টৰ, এআইক লৈ সন্মিলনত হ’ব বিশেষ আলোচনা। দক্ষিণ-পুব এছিয়াৰ যাতায়াত ব্যৱস্থাৰ বিকাশ সন্দৰ্ভত উদ্যোগ-বাণিজ্যসহ প্ৰতিৰক্ষাৰ আন কেইবাটাও দিশৰ সম্পৰ্কত এই সন্মিলনত আলোচনা হোৱাৰ সম্ভাৱনা আছে।

# জালুকবাৰীত জীৱন্তে

নিশাও হোটেলৰ কাম সম্পন্ন কৰি পৰিয়ালটোৰে ভাৰাঘৰত নিদ্ৰাত ঢলি পৰিছিল। কিন্তু নিশা প্ৰায় ২ বজাত হঠাতেই চিলিণ্ডাৰ বিস্ফোৰণ ঘটি অগ্নিৰ লেলিহান শিখাই নিমিষতে আব্দুৰ কুদ্দুছৰ হোটেলখনৰ লগতে ভাৰাঘৰটোও ঘেৰি ধৰে। অগ্নিকাণ্ড ইমানেই ভয়াবহ আছিল যে নিমিষতে জুয়ে ঘৰটোৰ চৌপাশে আগুৰি ধৰে। অঞ্চলটোৰ একাংশ লোকে অগ্নিকাণ্ডটোৰ উমান পাই জুই নুমুৱাবলৈ চেষ্টা কৰে যদিও ইতিমধ্যে ঘৰটোৰ ভিতৰত থকা আন দুটা চিলিণ্ডাৰো বিস্ফোৰণ হোৱাত পৰিস্থিতি অধিক ভয়ানক হৈ পৰে। লগে লগে ৰাইজে ঘৰটোৰ ভিতৰত থকা পৰিয়ালটোক উদ্ধাৰ কৰিবলৈ চেষ্টা কৰিও বিফল হোৱাত অগ্নিনিৰ্বাপন বাহিনীক অৱগত কৰে। কিছু সময় পিছতে তাত অগ্নিনিৰ্বাপন বাহিনী উপস্থিত হৈ জুই নিয়ন্ত্ৰণ কৰে যদিও দুৰ্ভগীয়া পৰিয়ালটোক উদ্ধাৰ কৰিবলৈ সক্ষম নহ’ল। অঞ্চলটোৰ একাংশ প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিয়া মতে নিশা প্ৰায় ৮ বজাত অগ্নিকাণ্ডটো সংঘটিত হৈছিল। দুটা কোঠালিৰ ভাৰাঘৰটোৰ এটাত আব্দুল কুদ্দুছ আৰু পত্নী কাজলী বেগম থকাৰ লগতে আনটো কোঠাত দুই পুত্ৰ ছফিকুল আৰু আব্দুল আছিল। জুই লগাৰ উমান পাই পিতৃ-মাতৃয়ে দুই সন্তানক বচাবলৈ চেষ্টা কৰোঁতেই দুৰ্ভাগ্যক্ৰমে জুইৰ মাজত আবদ্ধ হৈ পৰে। অগ্নিনিৰ্বাপন বাহিনীয়ে আৰক্ষীৰ সহযোগত জুই নিয়ন্ত্ৰণ কৰি পৰিয়ালটোৰ চাৰিওজন সদস্যৰ অগ্নিদগ্ধ মৃতদেহ উদ্ধাৰ কৰি জিএমচিএইচলৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। জিএমচিএইচত মৰণোত্তৰ পৰীক্ষাৰ অন্তত চাৰিওৰে মৃতদেহ জন্মস্থান গোৱালপাৰাৰ লক্ষীপুৰলৈ নিয়া হয় আৰু তাতেই পৰিয়ালটোৰ জানাজা সম্পন্ন কৰা হয়। ভয়ানক এই অগ্নিকাণ্ডটোত অকল পৰিয়ালটোৰ মৃত্যু হোৱাই নহয়, সমীপতে থকা ভাৰাঘৰৰ বহু লোকৰ বয়-বস্তুৰো ক্ষতি হয়।

# ক্ৰিকেটৰ ভগৱান শচীন

অভিলেখ ভংগ কৰে। ১৫ বছৰ ৭১ দিনত ভাৰতীয় ছিনিয়ৰ দলত স্থান লাভ কৰা বৈভৱ সূৰ্যবংশী হ’ল সৰ্বকনিষ্ঠ খেলুৱৈ। ইয়াৰ পূৰ্বে এই অভিলেখ আছিল মাষ্টাৰ ব্লাষ্টাৰ শচীন তেণ্ডুলকাৰৰ নামত। ১৯৮৯ চনত কৰাচীত পাকিস্তানৰ বিপক্ষে খেলা টেষ্ট মেচখনৰ জৰিয়তে আন্তৰ্জাতিক ক্ৰিকেটত অভিষেক ঘটাৰ সময়ত তেণ্ডুলকাৰৰ বয়স আছিল ১৬ বছৰ ২০৫ দিন। বৈভৱে যদি দেশৰ হৈ খেলপথাৰত নামে তেতিয়াহ’লে শচীন তেণ্ডুলকাৰৰ সৰ্বকনিষ্ঠ হিচাপে ভাৰতীয় দলত অভিষেক ঘটাৰ অভিলেখটো ভংগ কৰিব। মুম্বাইস্থিত ব’ৰ্ডৰ মুখ্য কাৰ্যালয়ত ইংলেণ্ড, আয়াৰলেণ্ড আৰু এছিয়ান গেমছলৈ দল ঘোষণা কৰাৰ বাবে ৰাষ্ট্ৰীয় নিৰ্বাচকসকলে বৈঠকত মিলিত হয়। বিচিচিআইৰ সম্পাদক দেৱজিৎ শইকীয়া আৰু মুখ্য নিৰ্বাচক অজিত আগৰকাৰৰ উপস্থিতিত তিনিওটা শৃংখলাৰ বাবে ভাৰতীয় টি-২০ দলটো ঘোষণা কৰা হয়। সদ্যসমাপ্ত আইপিএলত দুৰ্দান্ত প্ৰদৰ্শনেৰে মুঠ ১৬খন মেচত ২৩৭.৩০ ষ্ট্ৰাইক ৰেটেৰে ১টা চেঞ্চুৰী, ৫টা অৰ্ধশতৰানেৰে ৭৭৬ ৰান সংগ্ৰহ কৰি অ’ৰেঞ্জ কেপৰ লগতে আন চাৰিটাকৈ বঁটা লাভ কৰাৰ পিছতে বৈভৱক ভাৰতীয় দলত অন্তৰ্ভুক্ত কৰাৰ বাবে কেইবাজনো ক্ৰিকেট বিশেষজ্ঞ ই দাবী জনাইছিল। শেষত শনিবাৰে ঘোষণা কৰা তিনিওটা দলতে বৈভৱক অন্তৰ্ভুক্ত কৰা হয়।

# ৰাজ্যিক কৰ্মচাৰীলৈ অতিৰিক্ত

জনোৱা হয়। সেই অনুসৰি ৰাজ্যিক কৰ্মচাৰীসকলে লাভ কৰি থকা বৰ্তমানৰ ৫৮ শতাংশ মৰণীয়া বানচ ৬০ শতাংশলৈ বৃদ্ধি কৰা হয়। নতুন মন্ত্ৰী পৰিষদক লৈ অনুষ্ঠিত এই কেবিনেট বৈঠকত আন কেইবাটাও উল্লেখযোগ্য সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেবিনেট বৈঠকৰ সিদ্ধান্ত সদৰীত মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰা অনুসৰি কেবিনেটে ডিব্ৰুগড়ত দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চল হিচাপে ঘোষণা কৰাৰ লগতে দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চল উন্নয়ন প্ৰাধিকৰণ, ডিব্ৰুগড় গঠনৰ প্ৰস্তাৱত অনুমোদন জনায়। এই অঞ্চলটোৱে ডিব্ৰুগড় জিলাৰ অন্তৰ্গত ডিব্ৰুগড় ৰাজধানী কমপ্লেক্সক কেন্দ্ৰ কৰি ২০ কিলোমিটাৰ ব্যাসাৰ্ধৰ এলেকা সামৰি ল’ব। আনহাতে দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চল উন্নয়ন প্ৰাধিকৰণ, ডিব্ৰুগড়ে দ্বিতীয় ৰাজধানী অঞ্চলৰ উন্নয়নৰ সৈতে জড়িত আঞ্চলিক আৰু কেন্দ্ৰীয় পৰ্যায়ৰ উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰা, বিকাশ কৰিড’ৰ আৰু নগৰ সম্প্ৰসাৰণ এলেকা চিনাক্ত কৰাৰ দায়িত্ব বহন কৰিব। এই প্ৰাধিকৰণৰ অধ্যক্ষৰূপে থাকিব ডিব্ৰুগড়ৰ বিধায়কগৰাকী। অধ্যক্ষগৰাকীয়ে লাভ কৰিব কেবিনেট মৰ্যাদা। আনহাতে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ সচিবগৰাকী প্ৰাধিকৰণৰ উপাধ্যক্ষ হিচাপে থাকিব, ডিব্ৰুগড় জিলা আয়ুক্তগৰাকী হ’ব সদস্যসচিব। আনহাতে সদস্য হিচাপে থাকিব দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চলৰ মুখ্য কাৰ্যবাহী বিষয়া, ডিব্ৰুগড় পৌৰ নিগমৰ আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু সকলো বিভাগৰ জিলা পৰ্যায়ৰ মুৰব্বী বিষয়াসকল। দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চলৰ আন্তঃগাঁথনি উন্নয়নৰ সৈতে জড়িত সকলো কাম-কাজ সম্পাদনৰ বাবে সংশ্লিষ্ট লাইন-বিভাগসমহৰ বাজেটত ৫০০ কোটি টকাৰ এক বিশেষ পুঁজি আবণ্টন কৰা হ’ব। ৰাজ্যিক কেবিনেটে আজি কৰ্মৰত চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলক তৃতীয় বৰ্গৰ পদলৈ পদোন্নতি প্ৰদানৰ প্ৰক্ৰিয়া সুসংগঠিত আৰু নিয়ন্ত্ৰিত কৰাৰ উদ্দেশ্যে মূল বিধিসমূহৰ ধাৰা ৫ (২) আৰু ধাৰা ১৬ (৪) সংশোধন কৰি অসম মাধ্যমিক শিক্ষা (প্ৰাদেশীকৃত বিদ্যালয়সমূহ) সেৱা (সংশোধনী) বিধি ২০২৬ৰ সংশোধনী প্ৰস্তাৱত অনুমোদন জনায়। কেবিনেটে আজি ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে বিধায়ক এলেকা উন্নয়ন আঁচনিৰ অধীনত আবণ্টিত পুঁজিৰ পৰিমাণ এক কোটিৰ পৰা ১.৫ কোটি টকালৈ বৃদ্ধি কৰাত অনুমোদন জনায়। আনহাতে ২০২৭-২৮ বিত্তীয় বৰ্ষৰ পৰা এই অনুদানৰ পৰিমাণ প্ৰতিগৰাকী বিধায়কৰ বাবে ২ কোটি টকালৈ বৃদ্ধি কৰা হ’ব। কেবিনেটে বিধায়ক এলেকা উন্নয়ন আঁচনিৰ নিৰ্দেশনা সংশোধন আনি বাৰ্ষিক পুঁজিৰ সৰ্বাধিক ১০ শতাংশ সামাজিক, শৈক্ষিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগতে বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ সহায়ক সামগ্ৰী ক্ৰয় আৰু বিতৰণৰ ক্ষেত্ৰত ব্যৱহাৰ কৰাত অনুমোদন জনায়।

# ডিব্ৰুগড়ৰ আধ্যাত্মিকতাৰ

কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। কেৱল আধ্যাত্মিক দিশতে আবদ্ধ নাথাকি উঠি অহা নৱ-প্ৰজন্মক ভৱিষ্যতে সুনাগৰিক ব্যক্তি হিচাপে গঢ়ি তুলিবলৈ আৰু সমাজৰ প্ৰতিটো দিশতে চিন্তা-চৰ্চা কৰিব পৰাকৈ উৎসাহিত কৰাৰ উদ্দেশ্যে অঞ্চলটোৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ মুঠ ৬৫ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। পৰিচালনা সমিতিৰ সভাপতি ভীমকান্ত সন্দিকৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত অঞ্চলটোৰ উন্নয়ন তথা ডিব্ৰুগড় জিলাখনক আগুৱাই নিয়াত বিশেষ অৰিহণা যোগোৱা তথা কলীআই থান পৰিচালনা সমিতিৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনক শ্ৰী শ্ৰী কলী আই থান পৰিচালনা সমিতিৰ হৈ বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইয়াৰ উপৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, বিশিষ্ট ব্যক্তি গুণীন দিহিঙ্গীয়া, জ্যেষ্ঠ সমাজকৰ্মী অঞ্জন গগৈ আৰু থান পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি উপেন বৰুৱাকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিক সমাজলৈ আগবঢ়োৱা সেৱাৰ বাবে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইঞ্জি নিয়াৰিং ছায়েন্স এণ্ড টেকন’লজীৰ কম্পিউটাৰ ছায়েন্স বিভাগৰ মূৰব্বী ড° নমী বৰুৱা। বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকে মনোহৰী দেৱী কানৈ মহাবিদ্যালয়ৰ অধ্যাপক অনিৰুদ্ধ দত্ত, ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক ৰাতুল বুঢ়াগোহাঁই, শিক্ষয়িত্ৰী মমী মহন্ত, পঞ্চায়তৰ সভানেত্ৰী দেৱজানী চুতীয়া, কাউন্সিলাৰ উষা গগৈ, সাংস্কৃতিক কৰ্মী ৰুবী গগৈ সন্দিকৈ, ভাৰতী দুৱৰা বৰুৱা, মিনাক্ষী দাস বৰুৱাকে প্ৰমুখ্য কৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। পৰিচালনা সমিতিৰ যুটীয়া সম্পাদক অঞ্জন চেতিয়াই আঁত ধৰা অনুষ্ঠানত ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই থান পৰিচালনা সমিতিৰ এই পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি অধ্যক্ষগৰাকীয়ে কয়, নিজক জনাটোৱেই হ’ল জ্ঞানৰ এটা আৰম্ভণি।আইথান পৰিচালনা সমিতিৰ এই ব্যতিক্ৰমী পদক্ষেপক প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক প্ৰশান্ত ফুকনে শলাগ লয়। আইথানৰ উন্নয়নৰ বাবে সকলোৰে প্ৰচেষ্টা কৰাৰ লগতে উঠি অহা প্ৰজন্মক লৈ পৰিচালনা সমিতিয়ে গ্ৰহণ কৰা এই পদক্ষেপ অতি যোগাত্মক লগতে ডিব্ৰুগড় ভিতৰত এখন শ্ৰেষ্ঠ পৰিচালনা সমিতি বুলি তেওঁ কয়। অনুষ্ঠানত পৰিচালনা সমিতিৰ উপসভাপতি ভুৱন দত্ত, অঞ্জন গগৈ, সদানন্দ গগৈ, সুনীল ৰায়, বিপ্লৱ গগৈ, কুশল শইকীয়াকে প্ৰমুখ্য কৰি পৰিচালনা সমিতিৰ সদস্য আৰু স্থানীয় ৰাইজ আদি উপস্থিত থাকে।

## ENGLISH NEWS SECTION

# Governor plants saplings on World Environment Day



Guwahati, RB News: Joining the nationwide observance of World Environment Day, Assam Governor Shri Lakshman Prasad Acharya planted saplings at Jyoti Bishnu Antarjatik Kala Mandir in Guwahati, reflecting his commitment to environmental conservation and sustainable development. On the occasion, Governor Shri Acharya urged citizens to actively contribute to increasing green cover and protecting the environment for the well-being of present and future generations. Referring to this year's theme, "Inspired by Nature for Climate, for Future," he emphasized that safeguarding nature is essential for addressing climate challenges and ensuring a sustainable future. Shri Acharya called upon people from all walks of life to adopt environmentally responsible practices and participate in afforestation initiatives, noting that every sapling planted today is an investment for a healthier and greener tomorrow. First Lady of Assam, Smt. Kumud Devi, also planted a sapling on the occasion.

## Governor administers oath of office and secrecy to Council of Ministers



Guwahtati, RB News: Assam Governor Shri Lakshman Prasad Acharya administered the oath of office and secrecy to the Council of Ministers in presence of Chief Minister Dr. Himanta Biswa Sarma at the Jyoti-Bishnu Antarjatik Kala Mandir. Governor Shri Acharya administered oath to Ashwini Ray Sarkar, Ashok Singhal, Bimal Borah, Biswajit Daimary,Jayanta Mallabaruah, Kaushik Rai, Keshab Mahanta, Krishnendu Paul, Nilima Devi, Pijush Hazarika, Dr.Ranoj Pegu and Susanta Borgohain were among the 12 legislators who took oath as ministers. It may be noted that ministers sworn in earlier on May 12 are Atul Bora, Charan Boro, Ajanta Neog and Rameshwar Teli.

## PV Sindhu knocked out of Indonesia Open



RB News: Two-time Olympic medallist PV Sindhu has been knocked out of the Indonesia Open after a straight-game defeat against world No. 1 and Olympic champion An Se-young in the Round of 16 in Jakarta. The Indian shuttler suffered a 17-21, 15-21 defeat against South Korea's An Se-young. The defeat extended Sindhu's losing streak against An Se-young to 10 matches, with the shuttler yet to register victory over her.

## Virat Kohli ruled out of ODI series against Afghanistan due to injury





RB News: Virat Kohli has been ruled out of the upcoming three-match ODI series against Afghanistan due to a hamstring injury.The three-match series begins on June 13 in Dharamsala."He is out of the ODI series due to a hamstring injury," a BCCI source told PTI. Kohli reportedly suffered the injury during the IPL 2026 final, in which RCB beat Gujarat Titans and retained their title.

## India clinch U-18 Asia Cup with 4-1 win over Japan



RB News: The Indian U-18 men's hockey team won the Men's U-18 Asia Cup 2026 after defeating hosts Japan 4-1 in the final on Friday. Ashish Tani Purti scored a hat-trick, helping India win their third Men's U-18 Asia Cup title. Hockey India announced a cash award of 3 lakh for each player and 1.5 lakh for each support staff member.PM Narendra Modi congratulated both men's and women's teams, calling their victories a reflection of hockey's growing popularity among India's youth.

## R Praggnanandhaa win Norway Chess title




RB News: Grandmaster R Praggnanandhaa became the first Indian to win the Norway Chess title.The 20-year-old chess star defeated Germany's Vincent Keymer to conclude his campaign on a memorable note. Praggnanandhaa, who started the day in third place with 15 points, stepped up at the right moment and won his classical game, earning three crucial points. This took his total to 18 points and helped him win one of the most prestigious titles in elite chess. With this victory, the Chennai-born star achieved something that even Indian legend Viswanathan Anand and current world champion D Gukesh had not managed since the tournament began in 2013. Notably, he defeated Magnus Carlsen twice during the tournament.

## India wicketkeeper KS Bharat retires at 32



RB News: India wicketkeeper -batter KS Bharat announced his retirement from international cricket at the age of 32 on Thursday, June 4.Bharat ends his international stint with seven Tests, 221 runs at 20.09, and 21 dismissals, including playing in the 2023 WTC final. "With a proud heart and a sense of gratitude, I announce my retirement from international cricket. To play for my country has been the greatest honour of my life. This journey of mine has demanded great resilience and strength, but the honour of representing India in Tests is worth every moment," Bharat said.

# নৈৰাশ্য



**ধৰণী চেতিয়া, ধেমাজি**

কোনোবাই যদি তোমাক প্ৰশ্ন কৰে,
তোমাৰ কবিয়ে আজিকালি কবিতা নৰচে নেকি??
উত্তৰত তুমি ততালিকে ক'বা
আজিকালি মোৰ কবিয়ে কবিতা নৰচে...
আজিকালি মোৰ কবিয়ে
কবিতাক গ্ৰাস কৰে
ৰাতিৰ অন্ধকাৰত, মদৰ ৰাগীত...
আশা-নিৰাশাৰ আলিদোমোজাত
মাজনিশা মোৰ কবিয়ে
চিতকাৰ কৰে,
এটা তেজৰ চিয়াঁহী থকা
কলমৰ অভাৱত
অপ্ৰত্যাশিতভাৱে প্ৰশস্তি গায়
অন্ধকাৰৰ, নৈৰাশ্যৰ...

# প্ৰশ্নৰ মাজত ভৱিষ্যৎ

হয়?"

গৱৰ্ণই উত্তৰ দিলে, "সমস্যা আছে, কিন্তু সপোন ত্যাগ কৰাটো সমাধান নহয়। শিক্ষাব্যৱস্থাৰ উন্নতি প্ৰয়োজন, কিন্তু আমি নিজৰ লক্ষ্যৰ পৰা আঁতৰি যাব নালাগে।" গৌৰৱেও সন্মতি জনাই ক'লে, "এদিন নিশ্চয় পৰিশ্ৰম আৰু যোগ্যতাই নিজৰ সঠিক মূল্য পাব।"

# ডিজিটেল যুগত

জানিব পাৰিব আৰু ইয়াৰ প্ৰতি আগ্ৰহী হ'ব।

সামৰণিত ক'ব পাৰি যে, ডিজিটেল যুগে আমাৰ সন্মুখত বহু প্ৰত্যাহ্বান আনিলেও ভাষা আৰু সংস্কৃতি সংৰক্ষণৰ ক্ষেত্ৰত এক সুবৰ্ণ সুযোগো প্ৰদান কৰিছে। দেউৰী ভাষা আৰু সংস্কৃতি আমাৰ পৰিচয়, গৌৰৱ আৰু ঐতিহ্য। সেয়েহে ইয়াক সংৰক্ষণ আৰু প্ৰচাৰৰ দায়িত্ব সমাজৰ প্ৰতিজন ব্যক্তিৰ। একত্ৰিত প্ৰচেষ্টা আৰু ডিজিটেল প্ৰযুক্তিৰ সঠিক ব্যৱহাৰৰ জৰিয়তে আমি দেউৰী ভাষা আৰু সংস্কৃতিক আগন্তুক প্ৰজন্মৰ বাবে সুৰক্ষিত কৰি ৰাখিব পাৰিম।

# সপোন এক নীৰৱ

লাহে লাহে, য'ৰ পৰা উভতি অহাটো সম্ভৱ নহয়। নিজেই নিজৰ পৰা ক্ৰমশ আঁতৰি গৈছোঁ, বয়সৰ পৰিৱৰ্তনৰ লগে লগে। ভিতৰি ভিতৰি কিমান ক্লান্ত, কিমান ভাগৰুৱা সেইয়া যেন বুজিবলৈ আজি কোনো নাই, মাথোঁ মিছা মায়া জাল এখন পিন্ধি অভিনয় কৰি গৈছোঁ, সমাজৰূপী দৰ্শকৰ মাজত। প্ৰতিদিনেই নিজক বুজাওঁ, প্ৰতিদিনেই আনৰ সাহস হওঁ তাৰ পিছতো ভাগৰো। নিশা কাষলৈ যোৱা আপোন বিচনা খনো যেন অচিনাকী হৈ পৰে। মুক্ত জোনাকী পৰুৱাই হাঁহে... স্বাধীন বুলি কোৱা প্ৰতিটো মনক বিদ্ৰূপ কৰে।

বিনিদ্ৰ ৰজনী পাৰ কৰা প্ৰতিজন কিন্তু প্ৰেমিক প্ৰেমিকা নহয়। প্ৰেমিক মনৰ গৰাকী হ'লেও; কাৰণ প্ৰেম অবিহনে জীৱন জীয়াই নাথাকে। অৱশিষ্ট হৈ বুকুত জমা হোৱা বহু সপোনে ব্ৰহ্ম তালুত খোঁট দিয়ে নিশা হ'লেই...নিজেই নিজক কাষত অকলে পালে। এক নীৰৱ সংগ্ৰামৰ নাম সপোন; ঠিক মনটোৰ দৰে ঠুনুকা।

# পৰিৱেশে জীৱ জগতত সৌন্দৰ্য আনে এক বৃক্ষ দশ পুত্ৰ সম



সেউজ পৃথিৱী আৰু তাত থকা বিভিন্ন চৰাই-চিৰিকতিৰ লগতে জীৱ জন্তুবোৰৰ উপৰিও গছ-গছনিবোৰ জড় বস্তুবোৰৰ লগত থকা সম্পৰ্ক বোৰেও মানুহক আকৰ্ষিত কৰি আহিছে। এক বৃক্ষ দশ পুত্ৰ সম বুলি সুধাকণ্ঠ হাজৰিকা দেৱে তাহানিতে গাই গৈছে। পৰিৱেশ গঢ় লয় চাৰিও ফালৰ সৌন্দৰ্য বোধে। আমাৰ চাৰিওফালৰ বায়ু, পানী, বতাহ আৰু তাৰ লগত থকা সম্পৰ্কবোৰৰ পৰাই পৰিৱেশ গঢ় লয়।

**নমিতা দাস, শুৱালকুছি**

পৃথিৱী খনক জল, স্থল, বায়ু আৰু জীৱ চাৰিটা মণ্ডলত ভাগ কৰিব পাৰোঁ। জল মণ্ডলত থকা সৰীসৃপ প্ৰাণীৰ লগত জলচৰ উদ্ভিদবোৰ আৰু স্থল মণ্ডলত থকা বিভিন্ন জীৱ-জন্তু, গছ-গছনিৰ লগতে বায়ু মণ্ডলৰ ওপৰত পৰিৱেশৰ প্ৰভাৱ অতিকে গুৰুত্বপূৰ্ণ। বায়ু, পানী, মাটিয়ে জীৱ-জন্তুৰ ওপৰতো প্ৰভাৱ পেলাই। এই সকলোবোৰৰ সংমিশ্ৰণেৰে পৰিৱেশ এটা গঢ়ি উঠে । পৰিৱেশ পৰিৱৰ্তনশীল স্থান, কাল ভেদে এই পৰিৱেশ সলনি হয়। পৃথিৱীত থকা প্ৰতিটো জীৱৰেই নিজৰ নিজৰ বৈশিষ্ট আছে। কোনো এটা প্ৰাণীৰ লগতে কোনো প্ৰাণীৰ মিল দেখা নাযায়। বায়ু মণ্ডলৰ পৰিৱৰ্তন অনুসৰি জীৱ-জন্তু উদ্ভিদৰ আগমন ঘটে। গ্ৰীষ্ম কালত যিবোৰ উদ্ভিদ বা জীৱ-জন্তু চৰাই চিৰিকতি সহজে দেখিবলৈ পোৱা যায় সেইবোৰ শীত কালত কম পৰিমানে বা কিছুমান জীৱ-জন্তু দেখা পোৱা নাযায়। কিন্তু বৰ্তমান সময়ত পৰিৱেশ বিধস্ত হোৱাত বায়ু মণ্ডলৰ পৰিৱৰ্তনেই উদ্ভিদ জগতৰ লগত জীৱ জগতৰো সৌন্দৰ্যত ম্লান পৰা দেখিবলৈ পোৱা যায়।

পৰিৱেশ পৰিৱৰ্তনৰ প্ৰধান কাৰক সমূহ হৈছে - জনসংখ্যা বৃদ্ধি, উদ্যোগীকৰণ, নগৰীকৰণ, যাতায়ত পৰিবহনৰ পৰিবৰ্ধন আদি। মানুহৰ জনসংখ্যা বৃদ্ধিৰ লগে লগে বিভিন্ন সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ বিভিন্ন সম্পদৰ প্ৰয়োজন হ'ল। এই প্ৰয়োজনবোৰ পুৰাবলৈ বিভিন্ন সম্পদ ব্যৱহাৰ কৰাৰ প্ৰয়োজন আহিল। এই প্ৰয়োজনীয়তা পুৰাবৰ বাবে সম্পদবোৰৰ ব্যৱহাৰে পৰিৱেশৰ ওপৰতো প্ৰভাৱ পেলালে। পৰিৱেশৰ ভাৰসাম্য বিনষ্ট হোৱাৰ পিছত কিছুমান সমস্যাৰ সৃষ্টি হ'বলৈ ধৰিলে। ফলত পৰিৱেশ বিনষ্ট কৰি হ'লেও মানুহৰ প্ৰয়োজনীয়তা পুৰণ কৰাত প্ৰাধান্য দিবলৈ ধৰিলে। লাহে লাহে সমস্যাবোৰ বৃদ্ধিৰ লগে লগে খাল, বীল, পাহাৰ, পৰ্বতবোৰৰ প্ৰকৃত সৌন্দৰ্যত ম্লান পৰিবলৈ ধৰিলে। প্ৰকৃতিৰ মাজত বিচৰণ কৰি ফুৰা চৰাই চিৰিকতিৰ বাসস্থান হেৰুৱাৰ উপক্ৰম হ'ল। জনসংখ্যা বৃদ্ধিয়ে উদ্যোগী কৰণ কৰিলে। এই উদ্যোগবোৰেও পৰিৱেশৰ ওপৰত ভুতৰ ওপৰত দানহ পৰা দি গছ-বন, পাহাৰ, পৰ্বতৰ অবৈধ খনন কাৰ্যই খৰাঙৰ সৃষ্টি কৰিলে, আৰু কোনো ঠাইত বানপানী আৰু খহনীয়াৰ সমস্যা আনিলে। বায়ু মণ্ডলত লাহে লাহে প্ৰদূষণ আৰম্ভ হ'ল, প্ৰকৃতিৰ পৰা বহু চৰাই-চিৰিকতি জীৱ- জন্তু বিলুপ্ত হৈ পৰিল।

বৰ্তমান সময়ত পৰিৱেশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে যদিও ঠাই বিশেষে গছপুলি লালন-পালন কৰাৰ লগতে জীৱ-জন্তুৰ প্ৰতিও গুৰুত্ব প্ৰদান কৰা দেখা যায়, কিন্তু সুন্দৰ ভাৱে থকা বনাঞ্চলবোৰ কাটি দিওতে সৌন্দৰ্য নোহোৱা হোৱাৰ লগতে পৃথিৱীত শীত-তাপ মাত্ৰাৰ অধিক পৰিৱৰ্তন দেখা পোৱা গৈছে । প্ৰত্যকজন ব্যক্তিয়ে নিজৰ নিজৰ ঘৰতে প্ৰকৃতিৰ কথা ভাবি সুস্থিৰ, শুদ্ধ আৰু নিয়মানুবৰ্তীতা বজাই ৰাখি এটি বিশুদ্ধ পৰিৱেশ সৃষ্টি কৰি লৈ প্ৰত্যেকজন ব্যক্তিয়ে প্ৰকৃতিৰ কথা ভাবিলে তাতেই সৌন্দৰ্য দেখা পোৱা যাব। আনহাতে সামাজিক ভাবেও কিছুমান শুদ্ধবাৰ্তা বৰণেৰে সুন্দৰ পৰিবেশ সৃষ্টি কৰি সৌন্দৰ্য গঢ়ি তুলিবলৈ প্ৰচেষ্টা কৰিব পাৰি। জন্মলগ্নৰে পৰা পোৱা পৰিৱেশৰ ওপৰত এজন মানুহৰ জীৱনৰ কৰ্মবোৰ আগবাঢ়ি যায়। পৰিৱেশ অনুসৰি আমাৰ কথা, কাম আৰু কাৰ্য্যৰ পৰিবৰ্তন ঘটে। সেয়েহে আমি নিজেই নিজৰ ঠাই খনৰ লগতে সমাজ খনৰ প্ৰতি দায়বদ্ধ হৈ ভৱিষ্যত প্ৰজন্মৰ হাতত এখন সেউজীয়া পৃথিৱী তুলি দিয়াৰ কথা চিন্তা কৰি নিজেই সচেতন হ'ব লাগিব।

প্ৰতিটো উৎসৱ উৎযাপন কৰোতে এডাল গছপুলি ৰুই অভ্যাসত পৰিণত কৰিব পাৰিলে নিশ্চয় এখন সেউজ পৃথিৱীৰ কল্পনা কৰিব পাৰিম। জধে-মধে প্ৰকৃতিক বিনষ্ট নকৰি প্ৰকৃতিৰ প্ৰতি দায়বদ্ধতা অবলম্বনে এখন সেউজ পৃথিৱী পোৱা যায়।

# সাম্প্ৰতিক প্ৰেক্ষাপটত পৰিৱেশ

জড়িত কৰিব লাগে। সংবাদ মাধ্যম আৰু সামাজিক সংগঠনসমূহে সচেতনতা বৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। চৰকাৰেও কঠোৰ আইন প্ৰয়োগ, উন্নয়ন নীতি গ্ৰহণ, আৰু সেউজীয়া প্ৰযুক্তিৰ প্ৰসাৰৰ জৰিয়তে এই ক্ষেত্ৰত আগবাঢ়িব লাগিব।

শেষত ক'ব পাৰি যে পৰিৱেশ সুৰক্ষা আৰু উন্নয়ন একে সময়তে সম্ভৱ, যদি আমি সকলোৱে উন্নয়নৰ পথ অনুসৰণ কৰোঁ। পৰিৱেশ সজাগতা হৈছে সেই পথৰ প্ৰথম পদক্ষেপ। আজিৰ সজাগ পদক্ষেপেই আগন্তুক কালৰ সুৰক্ষিত পৃথিৱী নিশ্চিত কৰিব। সেয়ে, "প্ৰকৃতি বচাও, জীৱন বচাও"-এই মন্ত্ৰক হৃদয়ত ধৰি আমি সকলোয়ে একেলগে আগবাঢ়িব লাগিব।

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ স্বৰ্গীয় মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

# এজন ককা আৰু চেলৌমণি বদটি




**ববিতা বৰঠাকুৰ,কুৰালগুৰি, গোলাঘাট**

'চেলৌমণি বদটি', ইউটিউবত উপলব্ধ মাত্ৰ ২ ঘণ্টা, ১০ মিনিটৰ এখন ৰেব চিনেমাই সমগ্ৰ অসমতে আজি চৰ্চ্চা লাভ কৰিছে ।উজনি অসমৰ অখ্যাত গাঁৱৰ বিখ্যাত কাহিনী হিচাপে শ্ৰোতা দৰ্শকৰ হৃদয়ত ঘৰ সাজিছে 'চেলৌমণি বদটি' (Selo Moni Bodoti) নামৰ অসমীয়া ৰেব চিনেমা খনে। থলুৱা নামেৰে চহা গাঁৱলীয়া পৰিবেশৰ বাস্তৱ চিত্ৰায়ন, আকৰ্ষণীয় সংলাপ আৰু সংগীতেৰে ছবিখন কুশীলৱ সাংস্কৃতিক গোষ্ঠীৰ প্ৰযোজনাত নিৰ্মাণ কৰা হৈছে, এই চিনেমাখনৰ পৰিচালনা কৰিছে যুৱ নাট্যকৰ্মী বিদ্যুৎ বিকাশ শৰ্মা ঠাকুৰে।

ৰূপ সজ্জা অথবা শৃংগাৰবিহীন খন সঁচা মুখ, এটা সঁচা কাহিনী, কোনো নাটকীয় পোছাক পৰিচ্ছদ নাই। এজন ককা, বয়স ৯০ অতিক্ৰম কৰিছে ।দৈহিক আৰু মানসিক ভাৱে সম্পূৰ্ণ সুস্থ সুদৰ্শন ব্যক্তি, পিন্ধন-উৰণ, কথা-বাৰ্তা, কাম - কাজ সামাজিক দায়বদ্ধতাত এজন আদৰ্শ ব্যক্তি ককা। জ্ঞান বৃক্ষ গছৰ দৰে নাতি-নাতিনীক লগত লৈ আৰম্ভ কৰিছে এক পোহৰৰ যাত্ৰা। প্ৰবীণ শিল্পী, শিক্ষা গুৰুৰ আদৰ্শ ব্যক্তিত্বৰে শিষ্যৰ হৃদয়ত বাস কৰা ব্যক্তিজনেই আমাৰ ককা শিৱ প্ৰসাদ শৰ্মা ঠাকুৰ ।

'চেলৌমণি বদটি' মুখ্য আকৰ্ষণীয় চৰিত্ৰ হৈছে- ককা' ৰূপায়ণ কৰিছে শিৱ প্ৰসাদ শৰ্মা ঠাকুৰ নামৰ এই জ্যোতিষ্মান সত্তাই, যিটো বয়সত একুৰি বেমাৰ লৈ বিচনাপাতিত বহুজন পৰি আছে, ইয়াৰ বিপৰীতে এই বয়সত বিজ্ঞান প্ৰযুক্তিৰ অত্যাধুনিক কেমেৰাৰ সন্মুখত সকলোকে চমক লগাই নাতিয়ে নিৰ্মাণ কৰা ছবিত সবল অভিনয় কৰি অসমবাসীক ক'ব বিচাৰিছে- জ্যেষ্ঠ হলে শ্ৰেষ্ঠ হ'ব লাগিব। ইয়াৰ আগতেও ফণী শৰ্মাৰ "ভোগজৰা", লক্ষ্যধৰ চৌধুৰীৰ "ৰক্ষ কুমাৰ" প্ৰবীণ ফুকনৰ "পিয়লি ফুকন" আলি হাইদৰৰ "এটা চোলাৰ কাহিনীত" অভিনয় কৰি দৰ্শকক মুগ্ধ কৰে। ২০২১ চনত বিদ্যুৎ বিকাশ শৰ্মা ঠাকুৰৰ কাহিনী আৰু পৰিচালনাৰে চুটি ছবি, অন্তৰ্বাগ'ত মূল চৰিত্ৰ অভিনয় কৰিছিল - শিৱ প্ৰসাদ শৰ্মা ঠাকুৰে। বহু কেইখন গুৰুত্বপূৰ্ণ গ্ৰন্থৰ লেখক বৈজ্ঞানিক দৃষ্টিভংগীৰে পুষ্ট ককাই নতুনত্ব আদৰি ল'ব জানে। নিজ ভাষা সাংস্কৃতিৰ প্ৰতি ককা দায়বদ্ধ, ব্যক্তিগত জীৱনত ককাক লগ পোৱা প্ৰতিজন ধন্য, অভিনয়ত সৰল মনৰ ককা বাস্তৱ জীৱনটো একেই, নিজ মা, মাটি, ভাষা, সাংস্কৃতিক ভালপোৱা ককা এজন পূৰ্ণ ব্যক্তি।


আধুনিক সমাজখন ভোগবাদী চাকৰিত আবদ্ধ, পৰৰ সম্পত্তিৰ প্ৰতি লালসা। চলে -বলে বুদ্ধি কৌশলেৰে আনৰ সম্পত্তি আত্মসাৎ কৰাজনেই সমাজত উচ্চস্থান পায়। সহজে পোৱা পৰৰ ধনৰ প্ৰতি লালসা এলেহুৱা অসমীয়াৰ কিছু আত্ম-সমালোচনাত্মক বাৰ্তা 'চেলৌমণি বদতি'ৰ দ্বাৰা দৰ্শকলৈ আগবঢ়াইছে। সমাজত প্ৰকৃত জেষ্ঠজনৰ আদৰ নাই, পিতৃ-মাতৃৰ প্ৰতি সন্তানৰ কোনো দায়বদ্ধতা নাই, কিন্তু যেতিয়া এজন ব্যক্তিৰ মাটি, বাৰী, ধন-বিত্তই ভৰি থাকে তেওঁৰ ঘৰত এলেকৰ পেলেকে গৈও চুৰা চেলেকে। প্ৰতিজনৰ কেৱল স্বাৰ্থ, ককাৰ সম্পত্তি কেনেকৈ চলে- বলে, বুদ্ধি- কৌশলেৰে নিজৰ কৰিব পাৰি। অনেকজন অনেক ঠাইৰ পৰা আহি ককাৰ ঘৰত ভিৰ কৰিছে, ককাক ফুচুলাইছে, মন ভাল লগাইছে, গীত গাইছে, নাচিছে অনেক কথা। তাৰ বিপৰীতে ককাৰ নাতি-নাতিনীয়ে মুক্ত মনে সঁচা হৃদয়ৰে ককাৰ আলপৈচান ধৰিছে । তেওঁলোক ককাৰ আপোনজন, তেজ মঙৰ নহলেও ককা তেওঁলোকৰ বাবে আদৰ্শ, প্ৰেৰণা আৰু সাহসৰ উৎস। সংগীত ভালপোৱা ককাজন নাতিনীয়ে গোৱা মধুৰ সংগীত শুনি টোপনি যায়, নাতি নাতিনীয়ে মৰম কৰি খুৱালে খাই, সম্পত্তি বিচাৰি অহা আলহী-অতিথিৰ খোৱা শোৱা যতন লয় । এইয়া হ'ল গ্ৰাম্য জীৱনৰ আধাৰত নিৰ্মিত অসমীয়া ৰেব চিনেমা 'চেলৌ মণি বদতি' মূল কথা। চিনেমাখনৰ শেষভাগত ককাৰ ৰহস্যজনক ভাবে নিৰুদেশে হোৱা ঘটনাই দৰ্শকক কৌতুহল, উদ্বেগৰ সৃষ্টি কৰি মানৰ সমাজত মানুহৰ মূল্যক স্পষ্ট কৰি ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিছে ।

নৈতিক জীৱনৰ অলেখ প্ৰশ্ন জুমুৰি ধৰি আছে কাহিনীভাগত। ক'তো আউল নলগাকৈ চৰিত্ৰ সমূহ আগবাঢ়িছে, প্ৰতিটো চৰিত্ৰৰ আঁৰত আৰু বহু কথাই লুকাই আছে। গাঁৱৰ নিভাঁজ পৰিৱেশ, অসমীয়া ভাষা সাংস্কৃতিপ্ৰেমী গাঁৱৰ ৰাইজে ভাওনা, সবাহ, নাম প্ৰসংগ পৰম্পৰাক তুলি ধৰিবলৈ চেষ্টা কৰিছে । গাঁৱলীয়া লোকৰ আশা-প্ৰত্যাশা, ব্যংগৰস, শ্লেসাত্মকধাৰা, প্ৰেম, প্ৰেৰণা, সংঘাত, প্ৰতাৰণা, চহৰমুখী লোকৰ স্বাৰ্থপৰতা, সম্পত্তি আত্মসাৎ কৰাৰ কুটিল আভিসন্ধিৰ লগতে ৰজনীতি নেতাৰ ক্ষমতা কেন্দ্ৰিক মানসিকতা স্পষ্টৰূপে তুলি ধৰা কাহিনী ভাগ দৰ্শকে মনভৰি উপভোগ কৰিব পাৰিব।

আটাইতকৈ উল্লেখ-যোগ্য কথাটো হ'ল এই চিনেমা খনত প্ৰত্যক্ষ বা পৰোক্ষ ভাবে জড়িত থকা নাট্যকৰ্মী প্ৰায় গোলাঘাট জিলাৰ আশে- পাশে দেৰগাঁও বৰুৱা বামুণ গাঁৱৰ, বিদ্যুৎ বিকাশ শৰ্মা ঠাকুৰ এই ক্ষেত্ৰত প্ৰশংসাৰ যোগ্য। স্থানীয় প্ৰতিভাসম্পন্ন শিল্পীয়ে চিনেমাৰ পৰ্দাত নিখুঁত অভিনয় প্ৰদৰ্শন কৰি দৰ্শকক আকৰ্ষণ কৰিব পৰাটো সৌভাগ্যৰ কথা ।প্ৰচুৰ সম্ভাৱনাময় বহু শিল্পী অৰ্থ, সুযোগ, সুবিধাৰ অভাৱৰ বাবে নিজৰ প্ৰতিভা নিজৰ মাজতে ৰাখিলে ।এনে বহুজন শিল্পীক এই 'কুশীলৱ সাংস্কৃতিক গোষ্ঠী'য়ে পৰ্দাৰ সন্মুখলৈ আনি ৰাইজৰ মাজত পুনৰ পৰিচয় কৰাই দিছে। বহু কেইগৰাকী নৱপ্ৰজন্মৰ অভিনেতা অভিনেত্ৰীৰ অভিনয়ৰ পাৰদৰ্শিতাই চিনেমাখনক নতুন মাত্ৰা প্ৰদান কৰিছে।

আমি এজন সাধাৰণ দৰ্শক হিচাপে আহ্বান জনাওঁ, ইউটিউবত উপলব্ধ 'চেলৌমণি বদটি' চাওক, সমাজৰ কিছুমান আচল চৰিত্ৰৰ লগত পৰিচয় হওক। আমাৰ ককা চিৰসেউজ হৈ থাকক। আমাৰ অতি মৰমৰ নাট্যকৰ্মী সকলে সাহস অনুপ্ৰেৰণা পাওক। চিনেমা বা নাটক এখন এটা জাতি, এটা অঞ্চলৰ দাপোন স্বৰূপ ।আহক আমি আমাৰ নৱপ্ৰজন্মক পোহৰৰ দিশে আগবাঢ়ি যোৱাত অনুপ্ৰেৰণা যোগাওঁ ।

# মোৰ কমল মোৰ কবিতা



**গকুল চৌধুৰী, হাকামা, ধুবুৰী**

কিনো কম আজি মই মোৰ জীৱন যুদ্ধৰ কথা
জীৱনত যুঁজি যুঁজি সাহিত্য সাধনা কৰি থকা
মই নামৰ এজন অখ্যাত কবিৰ হৃদয়ৰ ব্যথা ।
মোৰ জীৱনেই হ'ল মোৰ কবিতাৰ শিৰোনামা
যি কবিতা সীমাহীন দুখ, কষ্ট, যন্ত্ৰণাৰে ভৰা ।
য'ত নাই সুখ, শান্তি আৰু আনন্দৰ সঁফুৰা
য'ত আছে কেৱল নিৰাশা, হতাশা, দুৰ্দশা, বিষাদ
আৰু বেদনাৰ লগতে আশা মৰহাৰ যাতনা ।
মোৰ কবিতাই হ'ল মোৰ জীৱনৰ পৰিভাষা
যি জীৱন কবিতাৰ প্ৰতিটো ছন্দৰে সজোৱা
য'ত নাই প্ৰাপ্তি, আৰম্ভণি, থাকে মাথোঁ সমাপ্তি
য'ত আছে কেৱল পাই নপোৱাৰ বেজাৰ, পাইও
হেৰুৱাৰ নিৰৱ যন্ত্ৰণা, সপোন ভঙাৰ মৰ্মবেদনা ।
সময় নাই আৰু এই জীৱনত জিৰণি লোৱাৰ
পুৱাৰ পৰা সন্ধিয়ালৈ সন্ধিয়াৰ পৰা পুৱালৈ
নিৰৱচিন্নভাৱে যুদ্ধ কৰিছোঁ কিবাকৈ অন্নমুঠি
যোগাৰ কৰাৰ
সময় নাই আৰু এই জীৱনত জিৰণি লোৱাৰ
অবিৰতভাৱে সংগ্ৰাম কৰিছোঁ জীৱনৰ বাটত
সফল হোৱাৰ
অৱকাশ নাই আৰু জীৱনত আকাশ চোৱাৰ ।
নাই নাই পুনশ্চ নুসুধিব মোক পুনশ্চ নুসুধিব
বছৰৰ পাছত বছৰ প্ৰতিদিনে পিন্ধি পেলাই ধুই
ধুই মেলি শুকাই পিন্ধিবলৈ এটাই মাথোঁ চোলা ।
এইদৰে বিন্দুৰ পৰা সিন্ধুলৈ
শুন্যৰ পৰা শিখৰলৈ
বিফলতাৰ পৰা সফলতালৈ
সফলতাৰ পৰা বিশ্ব জয়লৈ
সাহিত্য চৰ্চা কৰি কৰি মোৰ এই সংগ্ৰামী যাত্ৰা
মোৰ এই সংগ্ৰামী যাত্ৰাৰ বিশ্বাস আৰু ভৰষাৰ
একমাত্ৰ সংগী হ'ল মোৰ কলম মোৰ কবিতা ।